ভাৰতীয় ভিত্তিত জনসংখ্যাৰ বৃদ্ধি শতকৰা বছৰি ১.৮ কিন্তু আমাৰ অসমত এই এই বৃদ্ধি ১.৯ আৰু দেখা যায় আমাৰ Per capita আয়োসৰ্ব্ব ভাৰতীয় আয়ৰ তুলনাত কম। তাৰ বাবে আমি তৃতীয় পৰিকল্পনাত সাবধান হব লাগে। আৰু তাক বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিব বুলি আশা কৰিছোঁ।

আমাৰ দেশত বিদ্যুৎশক্তি বৃদ্ধি নহলে আমি শিল্পৰ ক্ষেত্ৰত একো কৰিব নোৱৰো। তাৰ কাৰণে উমিয়াম প্ৰজেক্ট সোনকালে লোৱাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। আৰু কপিলনী ভেলী প্ৰজেক্ট অদুৰ ভবিষ্যতে লোৱা হব আৰু নাহৰকটিয়াত যি প্ৰজেক্ট লৈছে তাৰ কাৰণে চৰকাৰক ধন্যবাদ দিছো। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বিদ্যুৎশক্তি বৃদ্ধিৰ বাবে কোনো কথাই বিশেষভাৱে আলোচনা কৰা নাই। বাজেটত ভবিষ্যতে সোবনসিৰিৰ নিয়ন্ত্ৰনৰ কাৰণে First State survey কৰা হৈছে বুলি কৈছে। আগেয় কৰা হেতেন সোবনসিৰিৰ শক্তিৰে গোটেই অসমত বিদ্যুৎ যোগান কৰিব পাৰিলে হেতেন। ভাক্ৰাত যিমান শক্তি উৎপাদন কৰিছে আমাৰ সোৱনসিৰি বা ভৰলুত তাৰ দুগুন নহলেও ১॥ গুন বিদ্যুৎ শক্তি উৎপন্ন কৰিব পাৰিলেহেতেন। এই নদীবিলাক নিয়ন্ত্ৰনৰ কথাটোত সন্দেহ প্ৰকাশ কৰা হয় ভূমিকম্প অঞ্চল বুলি কিন্তু দেশৰ উন্নতিৰ কাৰণে ভূমিকম্পৰ কথাকৈ পেলাই থলে নহব। এনেকুৱা কথা বৰ্ত্তমান যুগৰ বৈজ্ঞানীক সকলে কোৱা উচিত হয়নে নহয় কব নোৱাৰো। বিহাৰতো ভূমিকম্প হয় ভাৰতৰ প্ৰায় সকলো ঠাইত কিন্তু কত উন্নয়নকৰ কাম পৰি থকা নাই। গতিকে উত্তৰ পাৰতো যাতে এটা প্ৰজেক্ট তৃতীয় পৰিকল্পনাত লব পাৰে চৰকাৰে তাৰ কাৰণে যথেষ্ট চেষ্টা কৰিব বুলি আশা কৰিলো।

উত্তৰ পাৰৰ যাতায়তৰ সুব্যবস্থাৰ কাৰণে চৰকাৰে যি চেষ্টা চলাইছে তাৰ কাৰণে চৰকাৰক মই ধন্যবাদ জনাইছো। বৰ্ত্তমানে নামনি অসমৰ পৰা উজনী অসমলৈ উত্তৰ পাৰটো এই বিষয়ত পিচ পৰি আছে। তাৰৈ চৰকাৰৰ চোকা দৃষ্টী আকৰ্ষণ কৰিলো যাতে চৰকাৰে তাৰ এটা ভাল ব্যবস্থা সোনকালে কৰে আৰু তৃতীয়পঞ্চবাৰ্ষীক পৰিকল্পনাৰ জৰিয়তে লবলৈ চেষ্টা কৰিব বুলি মই আশা কৰো।

চৰকাৰে আমাৰ ৰাজ্যত ডাক্তৰখানা কৰা নাই বুলি মই নকওঁ। কিন্তু এই ডাক্তৰখানা বিলাকৰ বহুততে ডাক্টৰ নাই। ইয়াৰ কাৰণ হল আমাৰ M.B.B.S পাচ ডাক্তৰ নোলোৱা নহয় কিন্তু তেওঁবিলাকে গাৱঁলৈ যাব নোখোজে। বহুতকে গাৱত Appointment দিলে খাটিপুটি চহৰতে থাকে, কিয়নো টাউনত হলে Private practice কৰিব পাৰে। যি সকলে লেখা পঢ়া শিকিছে তেওলোক চহৰ Minded হৈছে। চৰকাৰে তাত অন্ততঃ বেচি allowance ব্যবস্থা কৰি হলেও গাৱলৈ ডাক্টৰ পঠাবৰ ব্যবস্থা কৰিব লাগে।

**Adjournment**

The Assembly was then adjourned for lunch till 2 P. M.

**After Lunch**

**Shri MOHANANDA BORA:** অধ্যক্ষ মহোদয়, মই ইয়াৰ আগতে গাঁৱৰ ডাক্তৰখানাৰ কথা কৈছিলো, কেৱল ডাক্তৰ সকলৰ কথাই নহয়, অন্যান যি সকল শিক্ষিত লোক চৰকাৰী বিষয় কৰ লৈ বাইজৰ সেৱাৰ কাৰণে, গাঁৱত, গাঁৱলীয়া জনসাধাৰণৰ, সাধাৰণ জীৱনৰ লগত খাপ খুৱাই ৰাইজৰ সেৱা কৰিব নোৱাৰে তেওঁলোক সেই পবিত্ৰ ৰাইজৰ সেৱাকাম কৰিবলৈ নোসোমাই মঙ্গল। কাৰণ, তেনে চৰকাৰী কৰ্ম্মচাৰীৰ দ্বাৰাই চৰকাৰৰ শোষণ কাৰ্য্যটো নচলেই ৰবং তেওঁলোকৰ পৰা শাসন যন্ত্ৰত কেৰোনৰা মানৰ সৃষ্টি হয়। মই আগতে সেইটোৰেই—তৃতীয় পৰিকল্পনাৰ অন্তৰ্গত যেন চৰকাৰে ইয়াৰ ব্যৱস্থা লয়। চৰকাৰী কৰ্ম্মচাৰীৰ এই মনোভাবৰ দ্বাৰাই একালে চৰকাৰৰ কাৰ্য্যত বাধা পৰে আৰু আনফালে তেওঁলোক জনসাধাৰণৰ প্ৰতি কৰা অপব্যৱহাৰৰ দ্বাৰাই, চৰকাৰে জনসাধাৰণৰ আস্থা হেৰোৱাই। ইয়াৰ বাবে এই শ্ৰেণীৰ চৰকাৰী কৰ্ম্মচাৰীয়েই দায়ী। কাজেই এই ক্ষেত্ৰত টকাৰ হিচাবত কৈ কামৰ হিচাব লোৱাটোহে আমাৰ বিধি প্ৰয়োজনীয় হৈ উঠিছে; কাম কিমান হৈছে সেইটোহে আমাৰ আচল কথা। কামৰ হিচাব নোলোৱাকৈ, লৰালৰিকৈ আমি আজি অজস্ৰ টকা খৰচ কৰিবলৈ দি দিছো, অথচ তাৰ তুলনাত আমাৰ পৰিকল্পনাৰ আচনি সমূহ সম্পূৰ্ণ কাৰ্য্যকাৰী হৈ উঠা নাই।

উপাৰ্জ্জনৰ বৈষম্যৰ কথা কবলৈ গৈ অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই অন্যান্য কৰ্ম্মচাৰী অথবা আমাৰ বৈষম্য এই যেতিয়ালৈকে ইওকেই কও যে, যেতিয়ালৈকে এই বৈষম্য আমাৰ ক্ষেত্ৰত বৈ য়ায, আৰু যেতিয়ালৈকে ইয়াৰ দূৰীকাৰণৰ চেষ্টা কৰা নহয়—তেতিয়ালৈকে আমাৰ দেশৰ উন্নতি হব নোৱাৰে আৰু দেশৰ উপাৰ্জনৰ যি মানদণ্ড—তাৰ পাৰ্থক্য যিমানেই বেচি হয় সিমানেই দেশৰ সুষ্ঠু বাতাবৰণৰ কণ্টক হয়। কাযেহ মই বিবেচনা কৰো যে, আমাৰ কৰ্ম্মচাৰী সকলৰ উচ্চতম দৰ্ম্মহা দুহেজাৰৰ অধিক হব নালাগে। এই কথা নিখিল ভাৰতীয় কংগ্ৰেচৰ ওটি চেমিনাৰত আলোচনা কৰা হৈছিল যে:—The view expressed strongly at the seminar was that the maximum salary should not exceed Rs. 2,000 per month. মই আশা কৰো নিম্নতম আৰু উচ্চতৰ দৰ্ম্মাহাৰ এটা নিৰিখ ধাৰ্য্য কৰিব লাগে। আৰু এই বৈষম্যটো ৰাখিব নালাগে, যদি নিম্নতম দৰ্ম্মহা ৩০ টকা হয় তেতিয়াহলে উচ্চতম দৰ্ম্মহাৰ হাৰ এহেজাৰৰ অধিক হব নালাগে।

তাৰপিচত মই এই কথা কও যি প্ৰথম আৰু দ্বিতীয় পৰিকল্পনাত আমাৰ দেশৰ উন্নয়ণৰ হকে বহুতো টকা খৰছ কৰা হৈছে যদিও—অসম বা অসমীয়া ৰাইজ তাৰ দ্বাৰাই বিশেষ লাভবান হব নোৱাৰিলে। তাৰ পিচত, দ্বিতীয় পৰিকল্পনাতেই ব্ৰহ্মপুত্ৰত দলঙৰ কাম আৰম্ভ হৈছে আৰু এই দলংৰ কাৰণেও বহু টকা ব্যয় হব—তাতো অসমীয়া শ্ৰমিক বা অন্যান্য বিভিন্ন বিভাগত অসমীয়া মানুহৰ সংখ্যা নাই বুলিয়েই কব পাৰি। P. W. D. তো কোটি কোটি টকা খৰচ কৰা হৈছে; তাৰোপৰি ডেভেলাপমেন্ট'ৰ বাবেও অজস্ৰ টকা চৰকাৰে খৰচ কৰিছে এই বিভিন্ন আচনি সমূহত যি পৰিমানৰ টকা খৰচ হৈছে—তাতো অসমীয়া মানুহে বিশেষ ভাবে অংশ লব পৰা নাই। সেই কাৰণে, মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কওঁযেন—তৃতীয় পৰিকল্পনাত যদি আমাৰ দেশৰ শ্ৰমিক আৰু কৰ্ম্মীসকলৰ সংগঠিত ভাবে কামত লগাব পৰা নাযায় তেন্তে ইয়াতো আমাৰ মানুহ বিলাক লাভবান হব নোৱাৰিব। চৰকাৰে যদিও অলপতে 'শ্ৰমিক বাহিনী' আইন কেবল গৰকাপ্তানী বিভাগতে বলবত কৰিছে; তথাপি তাতো বিশেষ কাম হোৱা নাই—মাত্ৰ কেইখন মান সাধাৰণ চাৰ্কুলাৰহে বাহিৰ হৈছে—যদিও সেই আইন পাছ কৰাৰ আজি কেইবা মাহো পাৰ হৈ গল। সেই কাৰণে এইটো এটা উদ্বেগজনক কথা আৰু এই দৰে চলিলে কিমান কাম হব—চিন্তাৰ বিষয়।

চৰকাৰে 'শ্ৰমিক বাহীনি আইন পাচ' কৰিছে—ইয়াৰ উদ্দেশ্য সকলোৰে জানে। কিন্তু অকল আইন পাচ কৰি ক্ষান্ত হলেই নহব। এই বিষয়ত কাৰ্য্যকাৰী ভাবে আগবাঢ়ি যাব লাগিব। এই বিষয়ে আমাৰ অভিজ্ঞতা আছে। আমি কংগ্ৰেছ কৰ্ম্মী হিচাবে গেৰাদলৰ সংগঠন কৰোঁতে এই বিষয়ে কিছু অভিজ্ঞতা হৈছে। আমাৰ Under-matric, আৰু M. V. পাচ কৰা যিবিলাক আছে সেইলোকে কিছুমান কাম কৰিবলৈ লাজ পায়। সেই বিলাক লৰাক যদি সংগঠন কৰি পইচা পোৱা কামত লগাব নোৱাৰে তেনেহলে আমাৰ নিবনুৱা সমস্যা কেতিয়াও দূৰ হব নোৱাৰে। আমাৰ ইয়াৰ বহুতো Unskilled Labour ৰ প্ৰয়োজন আছে—এতিয়া সেইবোৰ কাম বাহিৰৰ মানুহৰ দ্বাৰা চলি আছে। অতবোৰ কাম থকা স্বত্তেত আমাৰ লৰাবোৰে unskilled labour ৰ কাম কৰিবলৈ নিবিচাৰে। তেওঁলোকে পানৰ দোকান দিবলৈ ভাল পায়—অবশ্যে পানৰ দোকান দিয়াটো বেয়া কথা নহয়—বা চাপ্ৰাচী কাম বিচাৰি ফুৰে। সেইবিলাক লৰাক সংগঠিত ভাবে কামত যদি লগোৱা যায়—তেন্তে আমাৰ অৰ্থনৈতিক অবস্থাৰ বহুত উন্নতি হব। এইটো কথা তৃতীয় পৰিকল্পনাত বিশেষ মনোযোগ দিয়া হব বুলি আশা কৰিলোঁ।

**Shri KHAGENDRA NATH BORBARUA (Amguri):** মাননীয় অধ্যক্ষ মহোদয় তৃতীয় পৰিকল্পনা সম্পৰ্কে আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো।

আমাৰ ভাৰতবৰ্ষৰ ৪০ কোটি মানুহৰ ভিতৰতে অসমৰ ১০ কোটি মানুহ আমি আটাইখিনি এক পৰিয়ালৰে। কিন্তু একে পৰিয়ালৰে মাজত বৈষম্যটো চাব লগা কথা। আমি পৰিষ্কাৰ কৈ দেখিছো এই একে পৰিয়ালতে এটি দ্বন্দ বিদ্যমান। এফালে ধনী বা শোষক আৰু অন্য ফালে শোষিত, অৰ্থাত দৰিদ্ৰ শ্ৰেণী। শোষক বা ধণী শ্ৰেণীৰ ভিতৰত তিনিজন আছে—বিদেশী পুঁজিপতি দেশীয় পুজিপতি আৰু সামন্ত সকল—ৰজা, মাটিৰ মহাজন আছিল। শোষিত শ্ৰেণীৰ ভিতৰত—কৃষক, শ্ৰমিক, মধ্যবিত্ত, সৰু সৰু কৰ্ম্মচাৰী আৰু ব্যৱসায়ী। ধণীৰ শ্ৰেণীয়ে নিম্নত্তৰ শ্ৰেণীৰ ওপৰত শোষণ কৰি বাচি আছে। এই শ্ৰেণীটো বঘুমলাৰ দৰে আনৰ ওপৰত ওলমি আছে। এই দুই শ্ৰেণী ৰাখি যদি সমাজৰ কাৰণে কিবা পৰিকল্পনা কৰে—তেন্তে তাৰ সুফল ধণীৰ শ্ৰেণীয়েহে লাভ কৰিব। বঘুমলা থকা গছৰ গুৰিত সাৰ দিলে সেই সাৰ বঘুমলালৈহে যায়। আৰু ক্ৰমে গছজোপা জেৰ্ জেৰীয়া কৰি পাচলৈ মাৰে। তেনেকৈয়ে আমি পৰিকল্পনা যিমানেই নকৰো পৰিকল্পনাৰ উপকাৰ খিনি ভোগ কৰিব এই বঘুমলা বা ধণীৰ এই শ্ৰেণীয়ে—নিষ্পেষিত শ্ৰেণীয়ে নহয়। কপাহৰ খেতি কৰে খেতিয়কে সেই কপাহকে মহাজন শ্ৰেণীয়ে খেতিয়কৰ পৰা নি আকৌ খেতিয়ককে কাপোৰৰ আকাৰত বিক্ৰি কৰে। চাহ পাত, তেল আমাৰ নিম্নখাপৰ লোকেই উৎপাদন কৰিছে কিন্তু আমাৰ চাহ তেল বিদেশী শোষকে আমাৰ পৰা লৈ যায় আৰু আমাকে বেচে। সিঁহতে একো নকৰাকৈয়ে মাজতে লাভ লৈ যায়। আৰু এই শ্ৰেণীটো এই দৰেই লোকৰ ওপৰত খাই আছে গতিকে চৰকাৰৰ পৰিকল্পনা ধণীৰ সুবিধাৰ কাৰণে কৰা পৰিকল্পনা। ৰাষ্টা, আস্পতাল, স্কুল, পুখুৰী যত নকৰক—সকলো ধণীৰ স্বাৰ্থৰ নিমিত্তে হৈছে। নিম্ন শ্ৰেণীয়ে বস্তু উৎপাদন কৰে, আৰু হজম বা ব্যৱহাৰ কৰে। এই শ্ৰেণীক বচাই নাৰাখিলে ওপৰ তলাৰ মৰণ। গতিকে ৰোগীৰত ঔষধ, পিয়াহত পানী দিবই লাগিব। ইংলণ্ড, ফ্ৰান্স, এমেৰিকা আদি দেশতো দিছে। স্কুল কলেজ দিছে—নহলে কেৰাণী মহৰি, কাৰিকৰী কাম বিলাক কৰিব কোণে ? আজিৰ ৰাস্তায়দি ৰেলৰ লাইনেদি কাৰ বস্তু গৈছে ? ধণীৰ নে দুখীয়াৰ—তেনেহলে এই বোৰ কি পৰিকল্পনা ? শোষক শ্ৰেণীকে যদি

উঠাব নোৱাৰিলে পৰিকল্পনা কৰকে বা নকৰক। গতিকে এই বোৰ পৰিকল্পনা আদি কৰাৰ মূলতে হব লাগে এটা উমৈহতীয়া শ্ৰেণী কৰিবলৈ-এখন শোষণহীন সমাজ কৰিবলৈ।

বৰ্ত্তমান আমাৰ দেশত এদলে শাসনৰ নামত শোষণ কৰিছে। আমাৰ মূল লক্ষ হব লাগে কেনেকৈ এই শোষণৰ বনুমলা গচ ভোপা উঘালিব পৰা যায়। সমাজত যেতিয়ালৈকে শোষণ থাকিব তেতিয়ালৈকে পাঁচবছৰীয়া পৰিকল্পনা কৰি কোনো ফল নহব। দ্বিতীয় কথা তল শ্ৰেণীৰ মানুহক আগবঢ়ায় আনিবৰ ব্যৱস্থা কৰিব লাগে। তলৰ এক শ্ৰেণীৰ যেতিয়ালৈকে আছে আগ বঢ়াবৰ দুৰৰ কথা পেটৰ ভাত মুঠিৰ কাৰণেও ভিক্ষা কৰিব লাগে। গত আহিন আৰু কাতি মাহত গোটেই অসম ভোকত কপি গ'ল। এনে ত্ৰমৰ মানুহ নাছিল যি ঘৰত ১০।১২ জন ভিক্ষাৰী দিনে দেখা দিয়া নাছিল। আমাৰ গাৱঁত সিদিনা এদিনতে ৪৫ জন ভিক্ষাৰী আহিছিল। এতিয়াও কিছুমান মানুহ আছে যি ভিক্ষাৰী বৃত্তিকে অৱলম্বন কৰিছে। সমাজৰ পৰা এইবোৰ গুচোৱা দৰকাৰ। ইয়াকে যদি কৰিব নোৱাৰে তেনেহলে কি পৰিকল্পনা কৰিছো ?

খাদ্যৰ কথা কওঁযে আমাৰ ভাৰতৰ এই জলবায়ুত কি খাদ্যৰ দৰকাৰ। Nutrition Research Committee ৰ মতে ভাৰতত মজলীয়া কামৰ বাবে তিনি হেজাৰ কেলৰী আৰু বেচি টান কাম হলে তিনি হেজাৰ ছয়শ কেলৰী দৰকাৰ। আমাৰ শক্তি দৰকাৰ আৰু বেচি টান কাম হলে তিনি হেজাৰ ছয়শ কেনৰী দৰকাৰ। আমাৰ নিয়মীয়া আহাৰত থাকিব লাগে দাইল ৩ আউঞ্চ, চাউল ১৪ আউঞ্চ, কেচা পালী ৪ আউঞ্চ, শিপা জাতীয় পাচলী ৩ আউঞ্চ, আন্যান্য পাচলী ৩ আউঞ্চ, ফল-মুল ৩ আউঞ্চ গাখীৰ ১০ আউঞ্চ, চেনী ২ আউঞ্চ তেল ঘিউ আদি ২ আউঞ্চ, মাছ-মাংস ৩ আউঞ্চ আৰু কণী এটা। এক আউঞ্চৰ পৰিমাণ আঢ়ৈ তোলা। আজি এই আহাৰ আমি খাবলৈ দিব পাৰিছোনে নাই চাব লাগে। এই লক্ষ আগত ৰাখিহে পৰিকল্পনাত হাত দিব লাগে। কিন্তু ইয়াৰ কাৰণে আজি কোনো গবেষণা দেখা নাই। অসমৰ জলবায়ুত খাদ্য কি হ'ব লাগে চৰকাৰৰ হাতত তাৰ হিচাব নাই—কি চৰকাৰ এইটো ?

**Mr SPEAKER** Balance diet হব লাগে, over feeding হব নেলাগে।

**Shri KHAGENDRA NATH BARBARUA (Amguri):** Balace diet দিব পাৰিবনে ? দিনে দুটাকৈ কণী হলেও এজনৰ বছৰত ২।১ খাজ বাদ দিও ৭০০ কণী লাগে। ১০ জনৰ এটি পৰিয়ালক প্ৰায় ৭০০০ কণী লাগে। দিব পাৰিবনে ? মানুহক ভাত মুঠি ভালকৈ দিয়াটো ruling party ৰ প্ৰধান দায়ীত্ব।

ভাৰতৰ জনসংখ্যা লাহে লাহে বেচি হৈছে। সেই কাৰণে চৰকাৰে লৰা ছোৱালী কম জন্ম দিবলৈ কৈছে। এইটো লোকক কোৱা মাত্ৰ। আকৌ কৈছে ভাত কমাই খাবা। ভোকৰ ভাতকে খাবলৈ পোৱা নাই আকৌ কমাই কেনেকৈ খাব ? প্ৰথম পৰিকল্পনাত ৫০ লাখ আছে, ২য় পৰিকল্পনাত ২৫ লাখ আৰু ৩য় পৰিকল্পনাত ২॥০ আঢ়ৈ কোটি, মুঠ ৩॥০ কোটি মানুহ নিয়োগ কৰিব লাগে। মোৰ ৫৭ নং প্ৰশ্নৰ (unstarred) উত্তৰত অসমৰ নিবনুৱা হিচাব দিছিল ১৯৫৬-১৯৫৯ চনলৈ ৰেজিষ্টাৰ কৰা সংখ্যা হল ১,৬০,৭৮২ পুৰুষ আৰু মহিলা ৩৯২৫, নিয়োগৰ সংখ্যা ১০,৪১৬ আৰু প্ৰায় ডেৰ লাখ এতিয়াও বাকী। ইফালে ভাৰতৰ জন্মহাৰ হল দিনে ১৫ হেজাৰ। সেইদৰে অসমতো হৈছে। এইবোৰ মানুহে যদি চাকৰী নেপায় তেন্তে পৰিকল্পনা কৰি কি লাভ ? এই নিবনুৱা সমস্যা সমাধান কৰিম বুলি পাঁচ বছৰীয়া পৰিকল্পনা কৰিব লাগে। মই আগেয়েই বহুবাৰ পৰামৰ্শ যোগাই আহিছোঁ যে বঙ্গদেশ কেৰেলা আৰু অন্যান্য ৰাজ্যৰ পৰা দক্ষতাসম্পন্ন লোক আনি আমাৰ ৰাজ্যত যুৱক যুৱতীক কাৰিকৰি শিক্ষা দিব লাগে। আজি ৰিফাইনেৰীত থলুৱা যুৱকৰ স্থান কম

অসম তেল প্ৰধান দেশ বুলি খ্যাত। চৰকাৰে আগতেই লৰাক শিক্ষা দি অনা নহল কিয় ? অসমত কোন কোন শিল্প গঢ়ি উঠিব পাৰে সেই অনুপাতে আমাৰ যুৱকক প্ৰশিক্ষণ দি ৰাখিব লাগে।

আজি balance diet খাবলৈ নোপোৱাৰ কাৰণে বেমাৰক বাধা দিব নোৱাৰে অসমৰ এনে এখন গাওঁ নাই যিখনত বৰ্ত্তমান বসন্ত ৰোগ নাই। অৱশ্য চৰকাৰে হিচাবত কম দেখুৱাব। কিন্তু ঢুকাইছে বহুত। সিদিনা নগাঁৱতে কেইবাজনো ঢুকাইছে। ইয়াৰ উপৰিও ভাৰতত মেলেৰীয়া, ৰোগত ৭॥০ কোটি ভোগে প্ৰায় ৩ লাখ মৃত্যু হয় বছৰি, যক্ষ্মাত ২ লাখ বসন্তত ২ লাখ আনকি প্ৰসুতি তিৰোতাও বছৰি ২ লাখ মৃত্যুৰ মুখত পৰিছে। সেই অনুপাতে অসমতো।

ভাৰত কৃষি প্ৰধান দেশ। সেইবাবে খেতিৰ ওপৰত বেচি গুৰুত্ব দিব লাগে। পৰিকল্পনা কৰি ভাত মুঠি দিব নোৱাৰাটো লাজৰ কথা। এতিয়াও চাউল বাহিৰৰ পৰা আনিব লাগে। এই বছৰ বতৰ অলপ ভাল বাবে ঠায়ে ঠায়ে অলপ ভাল খেতি হৈছে আৰু তাতে চৰকাৰে কৈছে এইবাৰ Bumper crop হৈছে। প্ৰচুৰ শস্য হৈছে বুলি ধনী চৰকাৰে ধনীক জাননী দিছে। ফলত ব্যৱসায়ী সকলে শস্য কম দামত কিনিবলৈ সুবিধা পাইছে। বেচোতাক ব্যৱসায়ীয়ে কৈছে, শস্য ঢেৰ—সস্তাত নিদিলে বেচিম ক'ত ?

গতিকে সৰহ শস্য উৎপাদন হব লাগিব—নিবনুৱা সমস্যা সমাধানৰ কাৰণে চকু ৰাখিব লাগিব এইবিলাক কৰিবলৈ হলে কি লাগিল মানুহক ? মানুহ হব Balanced diet দিবলৈ কি লাগিব ?—খাদ্য শস্য কেনেকৈ বৃদ্ধি হয়, শিল্প কেনেকৈ বৃদ্ধি হয় তালৈ মন দিব লাগিব।

আজি সোণৰ অসমত ভাতৰ একাল হৈছে—পঞ্চবাৰ্ষীক পৰিকল্পনা দুটা হল—তথাপি যদি মানুহৰ ভাতেই নহল তেন্তে কি হল ? বক্তৃতাও বহুত হল কিন্তু কি হল ? দেশত মগনীয়া বৃদ্ধি হল আৰু একো নহল। চাউল আহিছে বাহিৰৰ পৰা—যোৱাবাৰ বৰষুণ হোৱা কাৰণে এইবাৰ ধান অলপ বেচি হৈছে—চৰকাৰে ৰিডিয়াই ফুৰিছে Bumper Crop হৈছে (হাঁহি) ইয়াত চৰকাৰে ধন্যবাদ লোৱাৰ হেতু ক'ত ? (হাঁহি) খেতিয়ক কেইটাক মাৰা বুদ্ধি—খেতি ভাল হৈছে এইবাৰ ধানৰ দাম কম হব লাগে। গতিকে সেইয়ে হৈছে—

এইবাৰ মানুহে আহুখেতি কৰিছে। বড়ো খেতি কৰিছে কিন্তু চৰকাৰে ৰাইজক ভঙা ভঙা মেচিন দিছে—শিৱসাগৰ মহকুমাৰ চামগুৰিত এটা মেচিন দিছে মনখুকুৰাত দিছে কিন্তু দিনে দিনে বন্ধ হয়—মেৰামত কৰিবলৈ চৰকাৰৰ কোনো লোকেই তাত ভৰি নিদিয়ে। গতিকে খেতিয়কৰ খেতিৰ প্ৰতি উৎসাহ বাঢ়িছে কিন্তু চৰকাৰে আগ বাঢ়িব পৰা নাই।

সাৰ বিতৰণৰ নমুনা এটা এটা দিওঁ—চৰকাৰে চামগুৰিত সাৰ ১০০ মোণ দিলে পিচত দেখা গল তাত ২০ মোণ কম—এইটো বৰ আচৰিত চৰকাৰে দাম পুৰা লয় অথচ মাল চোৰাংকৈ কমাই দিয়ে— (হাঁহি) এই হোজা খেতিয়ক মানুহকেইটাক ঠগাবলৈ যায়—

গতিকে এই চৰকাৰ ধনীক শ্ৰেণীৰ কাৰনেহে—দুখীয়া খাব নোপোৱাবিলাকক নানা কৌশলেৰে ঠগায়।

আগৰ আচনিত দেখিছো—পইচা ক'ৰ পৰা আহে ? প্ৰথমতে, পইচা বিদেশৰ পৰা ধাৰ কৰি আনিছে দ্বিতীয়তে আমাৰ দেশৰ ভিতৰতো ধাৰ কৰিছে—Saving Certificate, Bank Insurance আদিৰ সহায়ত ধাৰ কৰিছে Small savings বুলি কিছু আনিছে—তৃতীয়তে গৰীবৰ ওপৰত কৰ ধাৰ্য্য কৰিছে চতুৰ্থতে চৰকাৰে Deficit financing কৰি অৰ্থাত ৰিজাৰ্ভবেঙ্কত সোণ জমা নৰখাকৈ নোট ছপা কৰি মানুহক ফাকি দি ৰাইজক ধাৰত পেলোৱা হৈছে। অসম চৰকাৰৰো ৩৪ কোটি ধাৰ লাগিছে। অৰ্থাত আমাৰ প্ৰতিজন লোকৰ নামত চৰকাৰে ৩৪৲ টকাকৈ ধাৰত ৰাখিছে মানুহক ধাৰত সোমাই দিলে সেই দেশৰ অৱস্থা কি হব পাৰে সহজেই অনুমান কৰিব পাৰে।

গতিকে বিদেশৰ পৰা টকা অনা পৰিত্যাগ কৰিব লাগে। বিদেশলৈ বস্তু ৰপ্তানী কৰি তাৰ পৰা বিদেশী মুদ্ৰা আহৰণ কৰি তাৰ জৰিয়তে সামগ্ৰী কিনাৰ ব্যৱস্থা কৰিব লাগে। তাকে কৰিব নোৱাৰাৰ ফলত কি হৈছে আমাৰ গৰিব জনসাধাৰণৰ ওপৰত ট্যাক্স লাগিছে। আমাৰ উদ্যোগ মন্ত্ৰীয়ে কি বক্তৃতা দিছে? কৈছে যে ট্যাক্স লাগিবই কাৰণ আমাক টকা লাগে। সকলো ৰকমৰ ট্যাক্স ঘুৰি ঘুৰি তল খাপৰ মানুহৰ ওপৰত পৰিছে। ৰজা পিটাৰে দাঢ়িৰ ওপৰত ট্যাক্স লগাইছিল আমাৰ দাঢ়িৰ ওপৰতো ট্যাক্স কাহানিবা লাগেহে লাগে। চাবুৰাত বিবাহৰ ট্যাক্স লাগিছিল—দেখা বিবাহৰ ৫৲ টকা নেদেখা বিবাহৰ ৩৲ টকা (হাঁহি) Deficit financing ৰ ফলত মুদ্ৰাস্ফীতি হয় আৰু তেনেকৈ দুখীয়াৰ টকা ধনীৰ হাতলৈ যায়। অৱশ্যে ৰাষ্ট্ৰৰ শাসনযন্ত্ৰটো চলাবলৈ টকা লাগে। কিন্তু টকাৰ কাৰণে অইন ব্যৱস্থা লব লাগে। Deficit financing য়ে মুদ্ৰাস্ফীতিত সহায় কৰে। মই ইয়াকে কব খোজো যে বিশেষকৈ টকাৰ দৰ্কাৰ—কিন্তু কাৰ হাতত টকা আছে ? বৰ্ত্তমানে বিদেশীৰ হাতত থকা দেশীয় ধনীৰ হাতত থকা উদ্যোগবিলাক Natinalise কৰিলেই টকা হয় কিন্তু চৰকাৰে natinalise নকৰে। চাহ কয়লা, তেল আদিত বিদেশীয়ে লুণ্ঠন কৰিছে সেইসকলৰ ওপৰত যাতে অন্ততঃ Direct Tax, Income Tax পৰে, তাত যোন দিয়ক ধনীৰ ওপৰত Tax বেচিকৈ বহাব লাগে আনফালৰ পৰা টকা তুলিবৰ হলে, খেতিয়কৰ, শ্ৰমিকৰ অৱস্থা ভাল হলেহে টকা দিব পাৰিব।

ইয়াতে এটা কথা উঠিছে আমাৰ প্লেনৰ আকাৰ কিমান ডাঙৰ হব। পেনৰ ক্ষেত্ৰত 'পেনৰ' 'চাইজ'তকৈও চাব লাগে বিশেষকৈ তাৰ সফলতা। ৩য় পৰিকল্পনাৰ 'চাইজ' নিৰ্দ্ধাৰণ কৰিছে ১০,০০০ আৰু ১১,০০০ হাজাৰ কোটিৰ ভিতৰত। ভাৰত এখন বিশাল দেশ। আৰু ইয়াৰ উন্নয়নৰ কাৰণে বহুতো কৰিব লগীয়া আছে গতিকে ১০ হাজাৰ বা ১১ হাজাৰ কোটি টকা একো বেচি নহয়। ইয়াত Public Sector আৰু Private Sector দুটা নাৰাখি—এটা কৰা দৰ্কাৰ—অৰ্থাত পাব্লিক চেক্টৰ—ৰাজহুৱা খণ্ডহে ৰাখিব লাগে। এনেস্থলতো Prime Minister এ কৈছে যে—Private Sector ত যিবিলাক কাম চলি আছে তাত disturb নকৰে। মই কওঁ যে—যিবিলাক শিল্পানুষ্ঠান এতিয়া 'প্ৰাইভেট' চেক্টৰত আছে—সেইবিলাক জাতীয় কৰণ কৰিব লাগে।

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Industries):** Sir, I want to inform the hon. Member that the Communist Party of Kerala announced before they came into Power that they would nationalise the tea industry, but after they came into Power they did not nationatise the tea industry.

**Shri PHANI BORA (Nowgong):** Kerala Government was preyented by the Central Government to nationatise the industries. It wanted to nationalise the industry.

**Shri KAMAKHYA PRASAD TRIPATHI:** They were prevented by their own wisdom.

**Shri KHOGENDRAN ATH BARBARUAH (Amguri) :** কমিউনিষ্ট পাটীৰ লগত এয়ে পাৰ্থক্য। তেখেত সকলৰ মতে ভাৰতৰ ধনিক শ্ৰেণীটো বাখিব লাগে। বিহগছৰ কি সকলৰ আছে। মই কওঁযে ধনীৰ শ্ৰেণীটো সম্পূৰ্ণ নিৰ্মূল কৰিব লাগে।

আমাৰ দুখীয়া ৰাইজৰ উন্নতিৰ হকে আমাৰ চৰকাৰে কাম কৰিবলৈ হলে এই কেইটা কথালৈ লক্ষ কৰিব লাগিব।

প্ৰথমে ভূমি সমস্যা। কৃষিৰ উন্নতি আৰু অধিক শস্য উৎপাদন কৰিবলৈ প্ৰথমতে মাটি লাগে আৰু পিচত খেতিৰ সজুলি। ভূমিহীন মানুহৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে। মাটি নাই বুলি চৰকাৰে কৈছে যদিও চৰকাৰৰ এই বিষয়ত হিচাব নাই বুলিয়েই কব পাৰি। আমাৰ ৰাজ্যৰ মাটি কালিৰ পৰিমান ৪৮ হাজাৰ বৰ্গমাইল। তাৰে ১৬ লাখ একৰ ভূমিত খেতি কৰা হৈছে আৰু বাকী মাটিৰ কোনো ৰকম জৰিপ হোৱা নাই আৰু তাৰ কাৰণে কোনো ৰকম প্লেন হোৱা নাই। এই মাটি বাহিৰ কৰাৰ উপায় নিৰ্ণয় কৰিবলৈ মই চৰকাৰক কওঁ। আমাৰ ইয়াত যিবিলাক অদৰকাৰী ঠাই চৰকাৰৰ অথবা অন্যান্য বিভিন্ন ক্ষেত্ৰত সোমাই এনেয়ে পৰি আছে সেইকিলাক খেতিৰ কাৰণে খুলিদিব লাগে এই কাৰ্য্যতো চৰকাৰৰ তৰফৰ পৰা পথ দেখুৱাই চাহ মালিক সকলক গ্ৰাণ্টৰ ভিতৰত থকা মাটি বিলাকত চাহৰ ঠাইত ধান খেতি কৰিবলৈ উদগনি দিছে। চাহ খেতিৰ কাৰণে দিয়া মাটিত আকৌ ধান খেতি, ই কেনে কথা। এই মাটি বিলাক তেওঁলোকৰ গ্ৰাণ্টৰ পৰা কাটি আনি ভূমিহীন খেতিয়কক দিলে ৰাইজৰ উপকাৰ হয় দেশৰ উপকাৰ হয়। তাকে নকৰি চৰকাৰে, পৰোক্ষ ভাবে এই মাটি বিলাক বন্ধ কৰি ৰখাৰ উপায় মাটিৰ মালিকক দেখুৱাই দিছে। ইবৰ দুখৰ কথা আমি সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ পথত Co-operative কৰিব লাগে, কিন্তু Co-operativeৰ নাম চৰকাৰে ললেও চৰকাৰ নিজেই Co-operative minded নহয়। মই জানিব খুজিছো এই সদনৰ কেইজন সদস্যই অথবা মন্ত্ৰীয়ে সমবায়ৰ নিমিত্তে নিজৰ মাটি বাবী দি সহযোগীতা কৰিছে নিজে ক'পাৰেটিভ নকৰে আনক কয় কৰা। মানুহ কি 'বুৰবগ' নিজে নকৰিলে আনে কৰিব। এই সদনত মই জনাব খুজিছো যে, আমগুৰিৰ সদস্য জনে বৰাহী বাকী সমবায়ৰ কাৰণে তেওঁৰ নিজৰ মাটি 'চোৰেণ্ডাৰ' কৰিছে। অথচ, এই Co-operative টো এতিয়ালৈকে নানা অজুহাত দেখুৱাই বিভাগীয় কতৃপক্ষই ৰেজিষ্টাৰ কৰা নাই। যদি কিবা অসোৱাহ আছে তাকে দেখুৱাই দিলেও হয়, তাকে নকৰে আনহাতে ৰেজেষ্ট্ৰিয়ও নকৰে। ইবৰ পৰিতাপৰ কথা। এনেকৈ ক'অপাৰেটিভ ক্ষেত্ৰত চৰকাৰে মনোভাব দেখুৱালে এইটো স্পষ্টভাবে বুজা যায় যে কোনো কালেই Co-operative বিলাক কৃতকাৰ্য্য হব নোৱাৰিব কাৰণ জনসাধাৰণৰ মন তালৈ আকৰ্ষণ কৰিব নোৱাৰিব আৰু চৰকাৰৰ তেনে কোনো প্ৰচেষ্টাতেই ফলবতী হব নোৱাৰিব। এইটো কথা সদায় সত্য যে এনে ধৰণৰ সমুহীয়া উন্নয়নৰ কামত ৰাইজৰ সমুহৰ সক্ৰীয় সহযোগ আৰু তাত অংশ ভাৱ গ্ৰহণ কৰিবলৈ সক্ষম হব লাগিব। সেই পথত ৰাইজৰ প্ৰতি চৰকাৰৰ কোনো ৰকম উৎসাহ, উদ্দীপনা মূলক প্ৰচেষ্টা দেখা পোৱা নাই যাৰ দ্বাৰা ৰাইজ অনুপ্ৰাণিত হব আৰু সমদলে লক্ষৰ পথলৈ আগ বাঢ়িব অথচ বাধ্য হৈ পেটৰ কামোৰত মানুহে কাম কৰিবলৈ ওলাই আহিছে; কেতিয়াও অসমীয়া মানুহে নকৰা শিলগুটি ভঙা কাম কৰিবলৈ ওলাই আহিছে।

(voices এই বিলাক কাম কৰিব নালাগেনেকি) পেটৰ দায়তহে শিল ভাঙিছে দেশৰ প্ৰেমত অনুপ্ৰানিত হৈ শিল ভাঙিবলৈ বাষ্টালৈ অহা পাই। এয়ে পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ ফল যিটো আনি দিছে প্ৰথম, দ্বিতীয় পৰিকল্পনাই। জনসাধাৰণক আলোচনা নকৰি প্ৰেচ কৰা হৈছে। সদনত পাচ কৰিয়েই জনসাধাৰণৰ মত বুলি ধৰিলয়। এইবোৰ প্ৰেমত জনসাধাৰনৰ উৎসাহ জগানাই জনসাধাৰনৰ বহুতে ভাবে প্লেন হলে চৰকাৰে টকা দিব কেইটামানে ঘৰ সাজিব সেইবোৰ ঘৰত টামোল পানৰ দোকান দি

চাউল, গাখীৰ, হাঁহ, কনি বেচি কেইটামান পইছা পাব। এই পাচ বছৰীয়া পৰিকল্পনতে অসমীয়া মানুহে শিল ভঙা দেখিলো। শিলভঙা কামটো বেয়া নহয় কিন্তু তেওঁলোকে কিয় শিল ভাঙিছে সেইটোহে ভাবিব লাগিব। মানুহবোৰে শিল ভাঙিছে পেটৰ দায়ত জাতীয় অনুঁপ্ৰেড়নাত নহয় এনেকৈ মানুহক কামত লগালে নহয় তাক যাতীয় গঠনৰ বাবে জনসাধাৰণৰ মাজত প্ৰেড়না আহিব লাগিব।

আমাৰ চৰকাৰে এতিয়া অনুভৱ কৰিছে আমাৰ trained personel নাই এতিয়া বিফাইনেৰী হল তাতো আমাৰ মানুহৰ বাবে একো যোৱা নাই। এই সমস্যাটো আহি পৰিব বুলি মই ৫৭ চনৰ অধিবেশনতে কৈছিলো। মই কওঁ যদি এই বিফাইনেৰীত আমাৰ মানুহে সুবিধা নাপাই বিদেশীয়ে হে সুবিধা পায় তেন্তে ভীষণ পৰিস্থিতিয়ে দেখা দিব কাজিয়াৰ সৃষ্টি হব। চৰকাৰে আমাৰ Skill labour প্ৰয়োজন হব বুলি জানিও অসম তেলপ্ৰধান দেশ বুলি জানিও আমাৰ লৰাক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আগৰে পৰা কিয় নকৰিলে। এতিয়াও অসমত চাৰিটা কাগজৰ কলৰ স্থল আছে ৪টা চেনীৰ কল সুতা মৰাপাতৰ কলৰ স্থল আছে এইবোৰত মানুহ নালাগিব এইবোৰ কথাৰ বিষয়ে চৰকাৰে ভাবিছে জানো ? বাইজৰ যেচা পাই এতিয়াহে চৰকাৰৰ অলপ চকু মেল খাইছে। ভুকুৱালেহে কল পকে তাকে কথাষাৰ আমাৰ চৰকাৰৰ ক্ষেত্ৰত একেবাৰে খাটিছে। আমাক শিকায় 'নইৰা গৰুৰ দৰে খুচিলেহে খোজ ধৰে' কিন্তু চৰকাৰটো নচলে নুখুছিলে। চৰকাৰে কাগজে পত্ৰে প্ৰচাৰ কৰে অমুকত আমি আগতকৈ ৯।১০ ভাগ আগ বাঢ়িছো অমুক কৰিছো তমুক কৰিছো কিন্তু ৯।১০ ভাগ টেক্স বাঢ়িলনে নাই ? আগতে আমাৰ বাজেট আছিল ৫।৬ কোটি টকাৰ. কিন্তু এতিয়া বাজেট পালেগৈ ৪০।৪৫ কোটি টকা টেক্সৰ ফালে ইমান বেচি হৈছেগৈ তেনেহলে আমি কেনেকৈ আগবাঢ়িলো ? লগত এটা কথা কও মোৰ আগতে এজন বক্তাই কৈছিল যে শাসন যন্ত্ৰটো নামতহে চলি আছে। মোৰ নিজৰ ক্ষেত্ৰত তাৰ প্ৰমান পাইছো। মোৰে এখন দৰখাস্ত দিয়া আজি এবছৰ হল কোনো এখন পোত যোৱা বিলৰ কাৰণে। সেই দৰখাস্ত দৰখাস্ততে এতিয়াও আছে। M.L.A. এজনৰ যদি 'এনে দশা ইতৰস্য কা কথা' প্ৰশাসন যন্ত্ৰতো তৃতায় পৰিকল্পনাত ভাল কৰিবৰ কাৰণে ব্যৱস্থা হব লাগে।

**Shri MAHADEV DAS [Barpeta (Reserved for Scheduled cast)]** : মাননীয় উপাধ্যক্ষ মহোদয় ৩য় পৰিকল্পনাৰ বিষয়ে কেবাজনো সদস্যই কৈ গল। মই এইবিষয়ত দুই চাৰিটা পৰামৰ্শ আগবঢ়াব খোজো। আশা কৰো বিত্ত মন্ত্ৰী মহোদয়ে কথা বোৰ মন দি শুনিব।

আমাৰ ৰাইজৰ শতকৰা ৮০ ভাগ কৃষক। শতকৰা ৯০ ভাগ গাৱঁত বস কৰে। এতিয়া আমাৰ পৰিকল্পনাত চাব লাগিব এই গাৱলীয়া ৰাইজৰ মাম দন্দ উন্নতিৰ কাৰণে কি সুব্যস্থা কৰিব পাৰি।

গাৱলীয়া মানুহক লগাৰ ভিতৰত যাতায়াতৰ কাৰণে লাগে ৰাষ্টা, খোৱা পানীৰ কাৰণে লাগে কুৱাঁ আৰু শিক্ষাৰ কাৰণে বিশেষকৈ প্ৰাইমেৰী স্কুল উন্নত ধৰণৰ খেতি আৰু পুথি ভৰাল ওপৰত দৃষ্টি পৰিব লাগে। গাৱঁত মানুহ শতকৰা ৯০ জনৰ ভিতৰত ৮০ জনেই কৃষক। গতিকে আমি নিশ্চয় এই কৃষকৰ উন্নতিৰ কাৰণে লক্ষ্য ৰাখিব লাগিব। কৃষককনো লাগে কি খেতিৰ সজুলী আৰু পানীৰ ব্যৱস্থা অসমত বছৰি প্ৰাকৃতিক দুৰ্যোগ হৈছে পানীৰ বাবে, কাৰণ অসমৰ চাৰিউ দানে পৰ্ব্বত পাহাৰে বেৰি আছে। তাৰ লগত বৰষুণৰ পানী জোৰেৰ তললৈ নামি আহি বানপানী হয় আৰু খেতি-নষ্ট কৰে। সেই কাৰণে প্ৰত্যেক নদীৰ জন্ম ঠাইত এটা পানীৰ ভাল সৃষ্টী

কৰিব লাগে অৰ্থাৎ পানী জমা ৰখাৰ ব্যৱস্থা কৰিব পাৰিলে—। যেনেকৈ মানুহৰ জীৱন ধাৰণৰ কাৰনেই ধানৰ ভৰাল দৰকাৰ ঠিক সেইদৰেই খেতিৰ ক্যৰণেও পানী পানীৰ ভৰাল বৰ দৰকাৰ। এই ভৰালৰ পৰা ১২ মাহে পানীৰ যোগান ধৰিব পৰা হব। ইয়াৰ লগতে মাছৰ যোগান ধৰিব পৰা যাব। পানীৰ ভৰাল কৰোতে যিটো দাম তৈয়াৰ কৰা হব তাৰ পৰা বিজুলী উৎপাদন কৰি শিল্পত সহায় কৰিব পাৰিব।

যাতায়ত উন্নতি কৰাটো অতী দৰকাৰী কথা এই যাতায়তে দেশৰ বিভিন্ন অংশক যোগাযোগ কৰাৰ লগতে বস্তুৰ দাম আৰু আমদানী-ৰপ্তানীৰ কাৰণে অতি আৱশ্যক। এই যোগাযোগৰ অসুবিধাৰ বাবেই আজি এটা বস্তুৰ গুৱহাটিত যি দাম তাৰ দাম ভিতৰুৱা ঠাইত বেচি। ১৯৫০ চনৰ ভুইকপৰ ফলত অসমৰ ভৌগলীক অৱস্থা পৰিবৰ্ত্তন হোৱাত, পিচত দ ঠাইবোৰত বৰ ভাল খেতি হয়, কিন্তু সেই উৎপাদনবোৰ যোগাযোগৰ অভাৱত উলিাই আনিব নোৱাৰি অতী-কম-দামত বিক্রি কৰিব-লগাত পৰিছে। ৰাস্তাত যিবোৰ দলং আছে সেইবোৰৰ অবস্থ তিমানভাল নহয়। মেৰামতি কৰা হোৱা নাই, বৰপেটা মহকুমাৰ ভিতৰত বিশেষকৈ, বেকা, পহুমৰা আদি নদীৰ দলং যোৰ নোহোৱাৰ কাৰণে যাতায়াতৰ অসুবিধা হৈছে। ৩য় পৰিকল্পনাত এইবোৰ দলং ঠিক কৰিব লাগে।

বৰপেটা শব্দটো, বৰ অৰ্থাৎ ডাঙৰ আৰু পিত অৰ্থাৎ পিতনিৰ পৰাই বৰপেটা হৈছে। বৰপেটাত পিতানিৰেই ভৰা আছিল গতিকে চৰকাৰী বাট পদুলীবোৰৰ কাম যদি মহকুমা হিচাপে ভাগ কৰে তেনেহলে আমাৰ বৰটোৰ প্ৰতি অন্যায় কৰা হয়। বৰপেটাৰ প্ৰতি তিমান সুবিচাৰ আগতে কৰা হোৱা নাছিল। সেই কাৰণে এতিয়া বৰপেটাৰ প্ৰতি বেচি মনোযোগ দিব লাগে।

বৰপেটাৰ বেচি ভাগ মানুহৰে শিল্পৰ প্ৰতি যথেষ্ট ৰূপ আছে। বোৱা কটা ঘৰতে আছে। এইকামত যদি বিজুলী শক্তি প্ৰযোগ কৰিব পৰা হলহেঁতেন তেনেহলে বেচি আগবাঢ়িব পৰা হলহেঁতেন। হাতী-দাতাৰ শিল্প অসমৰ ভিতৰত কেবল বৰপেটাতহে আছে। অসমত, কাঁহৰ সাজ, বাচন শিল্পই আগ ঠাই পাইছে সাৰ্থেবাৰীত। কিন্তু তাত survey আৰু প্লেণ ঠিক মতে নোহোৱাৰ কাৰণেই বিশেষ কাৰ্য্যকৰী হোৱা নাই। যিটো মেচিন তাত ব্যৱহাৰ কৰিবলৈ দিচে সেই মেচিনে দৈনীক ১০০ মোণ কাঁহৰ কামৰ বেচি কৰিব নোৱাৰে।

**Shri KAMAKHYA PROSAD TRIPATHY (Minister, Industries)**: তেওঁলোকক কোৱা হৈছিল যে মেচিনটো সেই ঠাইৰ কাৰণে ডাঙৰ হৈছে। যদি গুৱাহাটীত হলহেতেন তেনেহলে বহুত মানুহৰ কামত আহিলহেতেন। কিন্তু কথাটো তেওঁলোকে মানি লোৱা নাই। সেই কাৰণেই খৰচ বেচি হৈছে।

**Mr Speaker** : মেচিনটো চালু অবস্থালৈ অহাই নাই। Capacity ৰ কথা আহে কেনেকৈ ?

**Shri MAHADEV DAS [Barpeta (Reserved for Scheduled Castes)]**: অজিও তাৰ পৰা কাম পোৱাই নাই সেইটো যাতে সোণকালে চালু হয় তাৰ বাবে মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

তাৰ লগে লগে খেতিৰ উপযোগী মাটি বিলাক খেতিয়কক দিয়া বিষয়ত নজৰ দিব লাগে। মাটিবাৰী সম্পৰ্কে এটা কথা যিমান মাটিৰ দৰ্কাৰ সিমান মাটি দিব নোৱাৰে কিন্তু সৰহশস্য উৎপাদনৰ কাৰণে কৃষকক মাটি দিবই লাগিব। আমি

পাৰ্য্যমানে কৃষি আৰু শিল্পৰ উন্নতি সাধন কৰিব লাগিব। শিল্পৰ উন্নতি, সাধন কৰিব লাগিব। শিল্পৰ নমুনা কলে দুঃখলাগে—সাৰ্দ্দৰাৰীৰ কাহাৰ বিলাকৰ অৱস্থা দেখিলে দুখলাগে আমিসকলোৱে উপলব্ধি কৰিব পাৰিছো তাত যি দুৰ্দ্দশা হৈছে। Tehinical সম্বন্ধে বহুত কথাই হৈছে। আমাৰ অনুসূচীত সম্প্ৰদায়ৰ কিছুমান লোক আছে যেনে বনীয়া হীৰা ইত্যাদি। এই হীৰাবিলাকে মাটি-সাজবাছন কৰে বৰ্ত্তমানত মাটিৰ বাসনৰ ওপৰতে মানুহৰ চক নোহোৱা হোৱাত স্বভাৱত এই হীৰা বিলাকৰ সাজ বাচনৰ কাম বন্ধ হৈছে। এতিয়া সেই লোকসকলে নিজৰ শিল্প এৰি অন্য ব্যৱসায়ত যাব লগাত পৰিছে লাহে লাহে এই শিল্পটো নোহোৱা হব অথচ চৰকাৰে কোনো চকু দিয়া নাই। মোৰ বিবেচনাৰে এই অনসূচীত সম্প্ৰদায়ৰ লোকসকলক যথেষ্ট ঋণ, সাহায্য দি চৰকাৰে সেই শিল্পবিলাক জিয়াই ৰখাৰ লগে লগে সেই সকলক জিবীকা নিৰ্ব্বাহৰ সংস্থাপন কৰি তেওঁলোকৰ নিবনুৱা সমস্যা সমাধান কৰিব লাগে। এটা জাতিৰ একাংশ লোক যদি ধ্বংসোন্মুখ হয় তেন্তে সেই জাতিটোৱে কোনোদিনে ঠনধৰি উঠিবনোৱাৰে। আমাৰ চৰকাৰৰ নমুনা যি দেখিছো মোৰ বন্ধু বৰবৰাই আচনিৰ কথা কৈছে আমি আচনি কৰাৰ আগেয়ে কিমান জনশক্তি দৰ্কাৰ তাকে ধাৰ্য্য কৰি আমাৰ এই কাৰিকৰ সকলক আৱশ্যকীয় পৰিশিক্ষণ দিবলৈ দেশবিদেশলৈ পঠাব লাগে।

আমাৰ সোণাৰীবিলাকে সোণাৰ হাৰ আদি তৈয়াৰ কৰিছিল। কিন্তু আজি কালি কেমিক্যালৰ সুন্দৰ সুন্দৰ অলঙ্কাৰ বাহিৰৰ লোকে তৈয়াৰী কৰাত আমাৰ সোণাৰীবিলাক অকৰ্ম্মন্য হৈছে। আমাৰ কিছুমান সোণাৰীক চৰকৰে কেমিক্যালৰ কাম শিকাৰ সুবিধা দি আনিলে তেওঁলোকেও সেইকাম কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে। গতিকে চৰকাৰে এই কাৰীকৰ সকলৰ এটা Survy কৰি তাৰ যথোচিত ব্যৱস্থা কৰিলে এই লোকসকলে দুবেলা দুমুঠি খাবৰলৈ সংস্থান হয়।

মই বহুদিনৰ পৰাই কৈ আহিছো যে কিছুমান অনুসূচীত সম্প্ৰদায়ৰ লোকৰ আৰ্জনা একেবাৰে নাই। যাৰ সুকীয়া বিদ্যা আছে তাৰ টকা নাই সেইলোকক চৰকাৰে কিছু টকা ঋণ দি হলেও সহায় কৰিলে তেওঁলোকৰ সংস্থান হয়। যিবিলাকৰ নাই সেই সকলক নানা ধৰণৰ শিক্ষত নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে যথেষ্ট টকা ধৰা উচিত।

ইয়াৰ পিচত মেডিকেল সৰ্ম্পকে অলপ কথা কও। এখন দেশত যদি শক্তিশালী মানুহ নাথাকে তাত নানা পৰিকল্পনাৰ কোনো ফল নাই। চিকিৎসা সম্পৰ্কে আমাৰ চৰকাৰে ব্যৱস্থ কৰিছে নানা ঠাইত ডাক্তৰ খানাও কৰিছে---কিন্তু বহুততে ডাক্তৰ নাই। আমাৰ ৰাজ্যত একেটামাত্ৰ মেডিকেল কলেজ। তাৰ পৰা আৱশ্যক মতে ডাক্তৰ ওলাব নোৱাৰে চৰ্কাৰ হলে দুখন কিয় ৩ খনো কৰিব লাগিব এখনো কৰিব লাগিব এখনত ১০ জন যদি ডাক্তৰ ওলাই ২০ জন বা ৩০ জন ওলোৱাৰ ব্যৱস্থা কৰিব লাগিব যাতে সোণকালে আমাৰ ডাক্তৰ অভাৱ দূৰ হয় তাৰ ব্যৱস্থা কৰিবই লাগিব।

গাৱলীয়া অঞ্চলত ডাক্তৰ পঠাবলৈ হলে তেওঁলোকৰ Pay scale ৰ কথা উঠে ডাক্তৰ সকলে চৰকাৰত থাকিলে বহুতো সুবিধা আছে। Private Practice চলে লৰা ছোৱালীক পঢ়াব পাৰে। গতিকে আত্তহতীয়া আৰু গাৱলীয়া অঞ্চলত যিবিলাক ডাক্তৰে কামকৰে তেওঁলোকৰ Pay scale বেচি কৰি দিব লাগে যাতে সৰহ দৰমহাই তেওলোকক আকৰ্ষণ কৰে। এনে এটাব্যৱস্থা তৃতীয় পৰিকল্পনাত চৰকাৰে হাতত লব লাগে।

লোকেলবোৰ্ডৰ ডাক্তৰ খানা বিলাকৰ চৰকাৰে লোৱাটো ভাল কথা হৈছে কিন্তু যিবিলাক Subsidised ডাক্তৰখানা আছিল সেইবিলাকে চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হোৱাটো ঠিক নহয়। এইসময়ত স্বাস্থ্য মন্ত্ৰী সদনত থাকিলে ভাল আছিল। এইবিলাক বিষয়ে গোটেই আসমতে এটা Survey কৰিব লাগে। যিবিলাক ডাক্তৰখানা চৰকাৰৰ অধীনত নাই, সেইবিলাক চৰকাৰৰ অধীনলৈ আনিব লাগে। তেনেকৈ তৃতীয় পৰিকল্পনাত সকলো ডাক্তৰখানা যাতে ভালকৈ চলিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

তাৰপিচত মই বৰপেটা Civil Hospital ৰ কথাকও তাৰ কাৰণে কিছু সাহনুভতিৰে চাব লাগে। তাত যিবিলাক ঘৰৰ আচনি লোৱা হৈছে, সেইবিলাক ইমান সংকিৰ্ণ ঠাইত হৈছে, তাত থাকিলে, বেমাৰ ভাল হওক চাৰি, বেমাৰ নথকা মানুহবো বেমাৰ হব। ডাক্তৰসকলেও লেখিছে। তৃতীয় পৰিকল্নাৰ ভিতৰত কোৱা হৈছে প্ৰত্যেক পাচ মাইলে একোটা হসপিটালে হব লাগে। বৰপেটা চহৰৰ প্ৰায় ৩৫ হাজাৰ লোক আছে। তাৰ ওচৰত যিবিলাক ৰিজাৰ্ভ আছে তাত Civial Hospital টো উঠাই যি মুকলি ঠাইত তৈয়াৰ কৰিব লাগে। এইটো হয়তো এটা প্ৰেনত শেষ নহব পাৰে। কিন্তু লাহে লাহে হলেও কামটো সুচাৰু ভাবে হব।

আজি সবহ শস্য উৎপাদনৰ কাৰণে যেনেকৈ খেতিয়ক সম্প্ৰদায়ক সহায় কৰিছে তেনেকৈ মীনমহলৰ উন্নতিৰ কাৰণে মুছুৱা সম্প্ৰাদয়ক সহায় কৰিব লাগে আজি অসমৰ মীনমহলে ১২ লাখ টকা চৰকাৰক দিয়ে। কিন্তু আজিলৈ দুটা পৰিকল্পনা হৈ গল- এই কালছোৱাৰ ভিতৰত মীনমহলত চৰকাৰে এটা পইচাও খৰচ কৰা নাই। আমাৰ ৰাজহমন্ত্ৰী ডাঙৰীয়াই জানে যে বৰপেটা মহকুমাৰ জল মহল বোৰৰ অৱস্থা আৰু সীমা নিৰ্দ্ধণৰ নহোৱা ফলত মাছ মৰীয়া সম্পদায়ৰ লোক সকলে কাজিয়া পেছালৰ মাজত থাকি মহলৰ কাম কৰি আছে। ফলত মছুৱা সম্পদায়ৰ দিনে দিনে অস্তিত্ব নোহোৱা হৈছে। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰো যাতে কৃষকৰ অৱস্থাৰ উন্নতিৰ কাৰণে যি ব্যৱস্থা কৰা হয় মাছ মহলদাতাৰ উন্নাতিৰ কাৰণেও তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দৰ্কাৰ যি মীনমহলে চৰকাৰক বছৰি বছৰি টকা .দিয়ে, তাৰ প্ৰতি চৰকাৰে আওকান কৰা কথাটো মই মোৰ বাজেট বক্তৃতাতো কৈছো। সেইকাৰণে মই সদনৰ সদস্যসকলোকে অনুৰোধ কৰো যেন মাছৰ শ্ৰীবৃদ্ধি বঢ়োৱাত ব্যৱস্থা কৰিব।

অসমত বৈষ্ণৱ মানুহে মাছ নাখাইছিল কিন্তু আমাৰ ধৰ্ম্মপ্ৰচাৰক শঙ্কৰ মাধৱে মাছৰ উপকাৰীতা বুজি বৈষ্ণৱসকল মাছ খাবলৈ অনুমতি দিলে এনে- এটা দৰ্কাৰী খাদ্য যে মাছ তাৰ শ্ৰী বৃদ্ধি পানীৰ শ্ৰী বৃদ্ধিৰ লগতে হয় পানী থাকিলেই কৈবৰ্ত্ত জাতি বৰ্ত্তি থাকিব, এতিয়া পানী ধ্বংশ কৰিবনে কৈবৰ্ত্ত জাতিক ৰক্ষা কৰিব আজি এডৰা পানীৰ পৰা বছৰে দুবাৰ খাজনা আদায় কৰিছে এখন ঠাইক মীনমহল বান্ধি দিয়া হৈছে পানীৰ সময়ত মীনমহলৰ বাবে খাজনাললে পানী শুকালে কৃষকৰ খাজনা ললে এইটো চৰকাৰাৰ কি নীতি ? মই টানি অনুৰোধ কৰো যাতে চৰকাৰে এই বেমেজালী দূৰ কৰে।

তৃতীয় পৰিকল্পনাৰ কালছোৱাত মাছৰ বৃদ্ধি যাতে হয়, তাৰ ব্যৱস্থা চৰকাৰে লব লাগে। মাছ আমাৰ প্ৰধান খাদ্য। মাছ নহলে আমাৰ আহাৰ ঠিকমতে খাব নোৱাৰো। তাৰো পৰি এই মাছ ব্যৱসায়ী কৈবৰ্ত্ত সমাজটো ইয়াৰ ওপৰত বৰ্ত্তী আছে পানী যেতিয়ালৈকে আছে মাছ আছে আৰু মাছ যেতিয়ালৈকে থাকিব, আমাৰ দেশ সম্পত্তিশালী হৈ থাকিব; আৰু তাৰ ব্যৱসায় কৰি বৰ্ত্তী থকা অস্তিকে পিচপৰা

কৈৱৰ্ত্ত জাতিটোৰ মঙ্গল সাধন হব। তাৰ পিচত, অধিক শস্য উৎপাদন বিষয়ত কিছু কথা কব খোজো। এই ক্ষেত্ৰত চৰকাৰে যথেষ্ট ব্যৱস্থা লৈছে আৰু ব্যৱস্থা কাৰ্য্যকাৰী হৈছে বুলিব লাগিব। কৃষি উৎপাদনৰ লগতে তাৰ লগত সম্বন্ধ থকা আৰু তৰকাৰী আদি উৎপাদন বৃদ্ধি কৰি, এইবিলাক মাৰকেটিং চচাইটিৰ জৰিয়তে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব পাৰিলে এহাতে যি বিলাক কৰে তাৰ আৰু আন হাতে দেশৰ সম্পদ বৃদ্ধি হব।

তাৰ পিচত জাতীয় ৰাজপথ (নেচনেল হাইৱে) টোৰ কোনো প্ৰকাৰৰ সুবিধা বৰপেটা নগৰে নাপায়। এই ৰাজপথটো তৃতীয় পৰিকল্পনাৰ অন্তৰ্গত 'সাইৰ্ভোচিন' কৰি হলেও বৰপেটা চোৱাই নিব লাগে। তাৰ পিচত ট্ৰান্সপৰ্টৰ ব্যৱস্থাও অসম চৰকাৰৰ তৰফৰ পৰা কৰিব লাগে; এই তৃতীয় পৰিকল্পনাৰ কালছোৱাত।

তাৰপিচত অনুসূচিত সম্প্ৰদায়ৰ লোকসকলৰ ঘৰবাৰী বিলাক আজিও বৰ বেয়া এওঁলোকৰ ঘৰবাৰী বিলাক উন্নতি কৰিবলৈ Housing Scheme ৰ পৰা অৰ্থ সাহায্য দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এওঁলোক যাতে অন্যান্য সম্প্ৰদায়ৰ লগত সমানে আগবাঢ়িব পাৰে তাৰ প্ৰচুৰ ব্যৱস্থা আজি আমাৰ প্ৰয়োজন হৈছে। মোৰা ১৯৫১ চনৰ পিয়লত এওঁলোকৰ সংখ্যা যি আছিল তাতকৈ এতিয়া বহুত বেচি আৰু অহা পিয়লত মোৰ বিশ্বাস ৮ লাখৰ ওপৰ হব। এওলোকৰ সৰ্ব্বপ্ৰকাৰৰ উন্নতিৰ কাৰণে এই তৃতীয় পৰিকল্পনাৰ কালছোৱাত properly survey কৰি উন্নয়ন ব্যৱস্থা হাতত লব।

ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

**Shrimati KOMOL KUMARI BARUA (Katonigaon):** অধ্যক্ষ মহোদয় তৃতীয় পৰিকল্পনাৰ প্ৰস্তুতি সময়ত অনা এই প্ৰস্তাবটোৰ কাৰণে গোস্বামী ডাঙৰীয়াক ধন্যবাদ জনাইছো। মই আমাৰ তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ আচনী সম্পৰ্কে দু-আষাৰমান কব খোজো।

মহোদয় আমি সমাজবাদী সমাজ প্ৰতিস্থাৰ সংকল্প লৈছো। ধনী দুখীয়াৰ ব্যৱধান আতৰাই জনমূৰি আয়ৰ পৰিমান বৃদ্ধি কৰি জীৱনৰ মান উন্নয়ৰ বাবে যত্ন কৰিবলৈ পৰিকল্পনা লৈছো হক। ইয়াৰ কাৰণে গুৰুত্ব দিব লগীয়া প্ৰথম আৰু প্ৰধান বিষয় হৈছে আমাৰ খাদ্য সমস্যাৰ সমাধানৰ অন্ন বস্ত্ৰৰ সমস্যা সমাধান নহয় ধনী দুখীয়াৰ প্ৰাৰ্থক্য নাতবে তেতিয়ালৈকে সমাজবাদী সমাজৰ পৰিকল্পনা কাগজ কলমতে অকা থাকিব। এইবাবেই আমাৰ প্ৰথম গুৰুত্ব দিবলগীয়া হৈছে খাদ্য বিষয়ত আৰু তাৰ কাৰণেই আৱশ্যক কৃষিৰ উন্নতি বিধান। ভাৰত তথা অসম কৃষি প্ৰধান দেশ শতকৰা ৮৫ জনেই আমাৰ খেতিয়ক অথচ আমি খাদ্য শস্যত আত্ম নিৰ্ভৰশীল হব পৰা নাই। কৃষিৰ উন্নতি কল্লে পথাৰ পৰিচালনা কমিটি, সেৱা সমবায় আদি যিবোৰ ব্যৱস্থা লোৱা হৈছে সেইবোৰ আৰু সক্ৰিয় আৰু সবল কৰাৰ ব্যৱস্থা। আমাৰ তৃতীয় পৰিকল্পনাতো থাকিব লাগিব। কৃষিৰ উন্নতি মানেই সকলো বিষয়তে আত্মনিৰ্ভশীল হোৱাতে নুবুজায়। জলবায়ু ভৌগলিক অৱস্থিতি আদি অনুসৰি আমাৰ অসমত যিবোৰ খেতি ভালধৰণে হয় সেই বোৰৰ ওপৰত গুৰুত্ব দি সেইবোৰ বেচি ধৰণে কৰি যিবোৰৰ খেতি ভালধৰণে জলবায় বা অন্য নানা কাৰণে নহয় সেইবোৰৰ অন্য প্ৰদেশৰ ওপৰত নিৰ্ভৰ কৰিলেহে economically আমি কৃষিৰ উন্নতি লাভ কৰিব পাৰিম। তাকে নকৰি আমাৰ ইয়াৰ সকলো খেতি কৰিবলৈ অযথা যত্ন কৰিলে আমাৰ শ্ৰম আৰু ধনহে খৰছ হব, লাভ সেই অনুপাতে নহব।

এই বাবেই যিবোৰ শস্যৰ খেতি আমাৰ ইয়াত ভালধৰণে হয় তাৰ বাবে মই তৃতীয় পৰিকল্পনাত গুৰুত্ব দিবৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো ।

**Mr. SPEAKER** : Order, order I am sorry to find that there is not a single Minister present in the house. Kindly call the Chief Minister. (Chief Minister, at this stage entered the Assembly Chamber) I had to suspend the proceedings of the House for two Minutes for want of presence of any of the hon'ble ministers in the House. I bring this to the notice of the Leader of the House.

**Shrimati KOMOL KUMARI BARUA (Katonigaon):** শিক্ষা মহোদয়, সম্পূৰ্ণ হয় গবেষণাৰ জৰিয়তে। সেই বাবেই কৃষি বিভাগৰ শিক্ষা আৰু গবেষণা সংযুক্ত কৰি তাৰ পৰা আমাৰ ইয়াৰ কৃষি সম্পৰ্কে কাৰ্য্য কৰা তথ্য উদ্‌ঘাটন কৰিব পাৰিলেহে কৃষি জগতলৈ এটা যুগান্তৰ অহা দেখিবলৈ পোৱা যাব । সেইবাবে মই কৃষি শিক্ষাৰ লগত গবেষণাকে integrate কৰিবৰ কাৰণে পৰামৰ্শ দিব খোজো । নহলে আমি কৃষি কলেজ এটা পাইছো যদিও এই কলেজৰ জৰিয়তে কাৰ্য্যক্ষেত্ৰত উৎপাদন বৃদ্ধিত একো সুফল পাব নোৱাৰিম । নালাগাৰ কমিটিৰ পৰামৰ্শ কাৰ্য্যকৰী কৰিবলৈ আচনী লবৰ কাৰণে চৰকাৰক অনুৰোধ কৰো । তিনিজন Joint Directors, Land, Extention, Education and research ৰ দায়িত্ব দিব লাগে বুলি ভবা কাৰণ পৰিদৰ্শক আমাক তাতেহে লাগে ওপৰত নহয় যদিও আমাৰ ইয়াত কেৱল পৰিদৰ্শনৰ বাবেহে আমাৰ Joint Director সকলৰ সত্ত দিব ধৰিছে । কৃষিৰ লগত পানীৰ উপযুক্ত যোগান ব্যবস্থা অতি আৱশ্যক তাক সকলোৱে বুজে । আমাৰ বহু ওখ মাটিত পানী যোগানৰ সুবিধা নোহোৱাৰ কাৰণেই ভাল খেতি হোৱাত বাধা পৰিছে । অসমত বহু নৈ উপনৈ আছে কষিৰ যিবোৰৰ বানপানীয়ে আমাক যথেষ্ট ক্ষতিগ্ৰস্ত কৰে । আজি স্পুটনিকৰ যুগত বৰষুণৰ ওপৰত পানী যোগানৰ নিৰ্ভৰ নকৰি সেইবোৰ নিয়ন্ত্ৰণ কৰি তাৰ পৰা বিজুলী উৎপাদন আৰু খেতিৰ পানী যোগানৰ ব্যবস্থা কৰিলে আমাৰ বৰ্ত্তমান বিজুলী শক্তিৰ যিটো অভাব যাৰ বাবে বহু শিল্প চলিব পৰা নাই সেই অভাব মোচন পথাৰত পানী যোগানৰ ব্যবস্থা হব ।

মহোদয়, আমাৰ অৰ্থনৈতিক সমস্যা সমাধানৰ কাৰণে বিজুলী প্ৰসাৰতা অতি আৱশ্যকীয় হৈ পৰিছে তাক সকলোৱে উপলব্ধি কৰিছে । সেইবাবে কৃষিৰ লগে লগে সকলো সম্ভৱপৰ শিল্প উদ্যোগ হাতত হাতত লোৱাৰ আৱশ্যকতা সম্পৰ্কে সকলোৱে অভিমত প্ৰকাশ কৰিছে ।

অসম খনিজ আৰু বনজ সম্পদত চহকী হলেও তাৰ সদব্যবহাৰ নোহোৱাৰ কাৰণেই এই বহুমুখীয়া সম্পদৰ অধিকাৰী হৈয়ো আমাৰ অবস্থা অতি শোচনীয়া এতিয়াও আমি অতি দুখীয়া হৈয়ে আছো ।

আজি দেশৰ আৰু এটা প্ৰধান সমস্যা হৈছে নিবনুৱা অৰ্দ্ধ নিবনুৱা আৰু কাৰীকৰী বিদ্যাত পাৰ্গত ব্যক্তিৰ অভাৱ । সেইবাবে আমি ভাবো পৰিকল্পনাৰ এটা প্ৰধান বিষয় হব আমাৰ প্ৰকৃতিক সম্পদৰাশিৰ ব্যবহাৰ, সম্ভৱপৰ সকলো শিল্পৰ আচনী লৈ বিৰাট জনশক্তিক দেশৰ সমৃদ্ধি সাধনত আগুৱাই লৈ যোৱা আৰু তাৰ কাৰণে যিবিলাক শিল্প আমাৰ ইয়াত হোৱাৰ সম্ভাবনা আছে তাৰ জোখাৰে আমাৰ স্থানীয় লৰাছোৱালীক প্ৰশিক্ষন দিয়াৰ ব্যবস্থা কৰা । কালি মাননীয় শিল্প মন্ত্ৰী দেৱে কৈছে যে সৌৰাষ্ট্ৰত প্ৰথম পৰিকল্পনাতে চৰকাৰে teachnical training ৰ বাবে ব্যবস্থা কৰাৰ ফলত তেওঁলোকৰ আজি নিজৰ শিল্প সমূহত মানুহৰ অভাৱ হোৱা নাই । কিন্তু আমাৰ ইয়াত সেইটো নোহোৱাৰ বাবেই আজি আমাৰ শিল্পক

কাৰিকৰী বিদ্যাত পাৰ্গত মানুহৰ অভাৱৰ ফলত আমি অন্য প্ৰদেশৰ মানুহৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰিছো। এইবাবে যোৱা দুটা পৰিকল্পনাত নহল যদিও আমাৰ তৃতীয় পৰিকল্পনাত যাতে training ৰ ব্যৱস্থা যথেষ্টৰূপে হয় তাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো। কাৰণ পৰিকল্পিত ভাৱে এতিয়াৰ পৰা trainingৰ আচনীলৈ সেই মতে কাম কৰিলে আমাৰ নিবনুৱা সমস্যা সমাধান হব দেশৰ জনশক্তিক ভালদৰে দেশৰ বিভিন্ন উন্নয়ণ মূলক উদ্যোগত কাম কৰিবলৈ সুবিধা দিয়া হব। অৰ্দ্ধ নিবনুৱাৰ সমস্যা সমাধানৰ কাৰণে ঘৰুৱা শিল্পৰ উন্নতি কল্পেও আৱশ্যকীয় আচনীত গুৰুত্ব দিব বুলি আমি আশা কৰিলো।

মহোদয় আমাৰ ইয়াত বৰ্তমান Oil Refinery হৈছে কিন্তু সেইমতে oil technology ত অসমৰ লৰা trained up কৰাৰ ব্যৱস্থা নাই। আমাৰ স্থানীয় লৰাক trained up কৰাই লোৱা হলে আজি দেশৰ বন দেশতে থাকিলহেতেন অসমে এই শিল্পৰ ফল ভালদৰে পালেহেতেন। ঠিক তেনেকৈ যে আমাৰ ইয়াত যিবোৰ শিল্প প্ৰতিষ্ঠাৰ আচনী লোৱা হৈছে আৰু হব সেইবোৰ চলাবলৈ আমাৰ কাৰীকৰী শিক্ষাত পাৰ্গত মানুহৰ অভাৱ। আৰু তাৰ বাবে আমি অযথা এগুনত দহ গুণ খৰচ কৰিব লাগিব। অলপতে যোৱাৰে spun Silk millৰ Machinary চাবলৈ অসমৰ পৰা দুজন জাপানলৈ গৈছে আৰু তাৰ কাৰণে প্ৰায় দহ হাজাৰ মান টকা খৰচ হল। এই দহ হাজাৰ টকা খৰচ নকৰি এজন লৰাক দুবছৰ উক্ত কেৱল machinery চাবলৈ যোৱাত শিল্পতে trained up কৰাই আনিব পৰা গলহেতেন। এই বাবেই আমাৰ তৃতীয় পৰিকল্পনাত শিল্পৰ যিবোৰ আচনী লবলৈ স্থিৰ কৰা হয় সেইবোৰৰ কাৰণে মানুহক শিক্ষা দিয়াৰ ব্যৱস্থা হব লাগে বুলি আমি ভাবো।

আজি সকলোৱে অনুভৱ কৰিছো যে বিজুলী শক্তিৰ অভাৱত আমাৰ বহুতো শিল্প গঢ়ি উঠিব পৰা নাই। অথচ বিজুলী উৎপাদন কৰিবৰ বাবে অসমত যথেষ্ট সুবিধা আছে। আমাৰ দুৰ্ভাগ্য যে প্ৰথম দুটা পৰিকল্পনাত অন্য ৰাজ্যৰ দৰে আমাৰ ইয়াত উল্লেখযোগ্য river valley Project লোৱা নহল। উমক্ৰ আৰু উমিয়াম হৈছে যদিও গোটেই অসমৰ অভাৱ ই মোচন কৰিব নোৱাৰে। আজি দামোদৰ ভেলি, ভাক্ৰানাঙ্গল, কোশী আদি Project মৰুভূমিকো সেউজীয়া বননিত পৰিৱৰ্তন কৰি একালে সস্তাত বিজুলী যোগাইছে আন হাতে লাখ লাখ একৰ খেতিৰ পথাৰত পানীৰ যোগান ধৰিছে। আমাৰ কপিলি ভেলি Projectৰ খোলা হৈছে এই কপিলী ভেলি Projectৰ বাহিৰেও অসমত আৰু কি কি বুলি সদনত জনোৱা হৈছে। এই কপিলী ভেলি Projectৰ বাহিৰেও অসমত আৰু কি কি river valley Projectৰ সম্ভাৱনা আছে তাক পৰীক্ষা কৰি তৃতীয় পৰিকল্পনাত হাতত লব বুলি আমি আশা কৰিলো।

মহোদয় যাতায়ত আৰু পৰিবহন যে দেশৰ উন্নতিৰ প্ৰধান অংশ গ্ৰহণ কৰে তাক সকলোৱে বুজে। সেইবাবে আমাৰ যি transport botoleneck ৰ পৰা শিল্পই গা কৰিব পৰা নাই তাক আঁতৰোৱাৰ ব্যৱস্থা কৰা হয়। বিশেষকৈ পিচ পৰা অঞ্চলৰ যাতায়ত আৰু পৰিবহনৰ ব্যৱস্থা তৃতীয় পৰিকল্পনাত আচনী লবলৈ চৰকাৰক অনুৰোধ কৰো। স্বাস্থ্যৰক্ষাৰ অৰ্থে চিকিৎসাৰ সুবিধা যাতে তৃতীয় পৰিকল্পনাত সকলো ঠাইতে দিয়া হয় তাকো আমি আশা কৰিলো। কাৰণ প্ৰথম দুটা পৰিকল্পনাত পৰিকল্পিত ভাৱে সকলো ঠাইতে সমানে আগবঢ়াই নিয়াৰ ব্যৱস্থা নকৰাৰ কাৰণে এতিয়াও চিকিৎসা ব্যৱস্থাত অতি পিচ পৰি থকা অঞ্চল বহুত আছে। সেইবোৰত যাতে চিকিৎসাৰ সুবিধা দিয়া হয় তাকো আমি কামনা কৰো।

অৰ্থনৈতিক উন্নয়নৰ কাৰণেই যদি আমি আমাৰ পৰিকল্পনা বিলাক লৈছোঁহক। নিবনুৱা সমস্যা সমাধান নহলে, জনমুৰী আয় বৃদ্ধি কৰিব নোৱাৰিলে আমি কোনো পৰিকল্পনাতে সুকৃত-কাৰ্য্য লাভ কৰিব নোৱাৰিম।

আজি প্ৰত্যেক জন সদস্যই আমাৰ গাঁৱবোৰত, মেট্ৰিক পাচ কৰিব নোৱাৰা নিবনুৱা সকলৰ সংখ্যা যথেষ্ট বেচি হৈ আহিছে বুলি কৈছে। এইবোৰক কামত খটোৱাৰ কাৰণেই যদি প্ৰত্যেক মহকুমাৰ ব্যৱসায়ৰ ভিত্তিত Production cume-Training দিয়া অনুষ্ঠানৰ ব্যৱস্থা কৰা হয়, তেতিয়াহলে Welder, Turnel, fitter আদিৰ যি অভাৱ হৈছে সেইবোৰ কিছু পূৰণ আৰু মেট্ৰিক পাচ নকৰা নিবনুৱাৰ সংখ্যাও কমিব। অসমৰ ইয়াত যিবোৰ শিল্প প্ৰতিষ্ঠান গঢ়ি উঠিব সেইবোৰত এই under matric বোৰক apprentice কৰিবৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে অনুৰোধ কৰিলো। কিছুমান সৰু সুৰা লাগতিয়াল বস্তুৰ consumer goods কাৰণে আমি আন ঠাইৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। সেইবোৰ যদি অমাৰ ইয়াত তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিব পাৰে তেন্তে বাহিৰলৈ যোৱা টকাৰ শকত অংশ এটা ৰৈ যাব। আৰু আমাৰ বহুত নিবনুৱাই কাম পাব। ১ম আৰু ২য় পৰিকল্পনাৰ শিল্পৰ প্ৰতি যথেষ্ট গুৰুত্ব নিদিয়াৰ কাৰণে আমি এই ক্ষেত্ৰত বহুত পিচ পৰি গলো। ৩য় পৰিকল্পনাত, যোৱা দুটা পৰিকল্পনাৰ যিবোৰ খুট ৰৈ গল তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো অঞ্চলৰ উন্নতিৰ কাৰণে আঁচনি লব লাগে। এই আঁচনি যাতে পৰিকল্পনা আয়োগে কাটি দিবলগীয়াকৈ কৰা নহয় আৰু জনসাধাৰণেও সুফল ভোগ কৰিবলৈ পায় তাৰ প্ৰতি লক্ষ ৰাখিব লাগে বুলি আমি ভাবো।

মহোদয়, আমাৰ শিল্পৰ উন্নতিৰ প্ৰধান অন্তৰায় হল মূলধনৰ অভাৱ। বৰ্ত্তমান financial Corporation আৰু শিল্প বিভাগে কিছু ঋণ দিয়াৰ ব্যৱস্থা কৰিছে যদিও সি আশানুৰূপ নহয়। আৰু কুটিৰ শিল্প বিভাগৰ যি ঋণ দিয়াৰ নিয়ম আছে তাৰ সুবিধা লবলৈ যাওঁতে মানুহ হতাশ নোহোৱাকৈ নেথাকে, কাৰণ একোটা ঋণ পাবলৈ ৫/৬ বছৰৰ কম নেলাগে। Loan বোৰ মঞ্জুৰ কৰাৰ পিচতো টকা পাবলৈ ২/৩ বছৰ লাগে। এই অৱস্থাৰ প্ৰতিকাৰ নহলে শিল্পৰ প্ৰতি মানুহৰ আগ্ৰহ হব নোৱাৰে। সেইকাৰণে কুটীৰ শিল্পৰ ঋণ দিয়াৰ ক্ষিপ্ৰ ব্যৱস্থাৰ অৱতাৰণা কৰিবলৈ অনুৰোধ কৰিলো। ইয়াৰ লগতে চৰকাৰে আৰু এনে ধৰণৰ আঁচনি লব লাগে—যাৰ জৰিয়তে কোনো শিল্পৰ কাৰণে ধাৰ দিবলৈ technical corporation আৰু উৎপাদিত বস্তুৰ বজাৰৰ সম্পৰ্কে জানিবলৈ দিব পৰা হয়—যাৰ জৰিয়তে শিল্প উদ্যোগী সকল যথেষ্ট হব পাৰে আৰু শিল্পৰ প্ৰতি আকৰ্ষণ বঢ়াব পৰা হয়।

মহোদয়, মই আগতে কৈ আহিছো যে যোৱা দুটা পৰিকল্পনাত যিবোৰ ঠাইত যাতায়ত, স্বাস্থ্য, শিক্ষা আদিৰ কোনো প্ৰকাৰৰ সুবিধা দিয়া নহল সেইবোৰক যাতে প্ৰথম সুবিধা দিয়া হয় তাৰ বাবে ৩য় পৰিকল্পনাত আঁচনি লব লাগে নহলে সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ পৰিকল্পনা বাস্তৱত আৰু কেতিয়াও পৰিণত নহয়। এতিয়াও বহু অঞ্চল আছে যত চিকিৎসাৰ কোনো সুবিধা নহয়, এক ইঞ্চি গৰকাপ্তানীৰ ৰাস্তা নাই অথচ সেইবোৰ ঠাইত এই সুবিধাবোৰ দিলে বেহা বেপাৰ আদিৰ যোগেদি আৰ্থিক অৱস্থা টনকিয়াল কৰিব পাৰে।

আমাৰ পৰিবহন ব্যৱস্থাৰ উন্নতিৰ আঁচনি লোৱা অতি আৱশ্যক হৈ পৰিছে। এতিয়া দেখা যায় পৰিবহন ব্যৱস্থা চৰকাৰে লোৱাৰ পৰা ৰাজ্যৰ এটা ভাল অংশ পৰিবহন বিভাগে দিছে। যিবোৰ ঠাইত এতিয়াও চাৰকাৰী যান-বাহন চলোৱা নাই সেইবোৰতো তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে মাল কঢ়িৱাৰ দায়ীত্বও পৰিবহন বিভাগে ললে আমাৰ ৰাজভৰালৈ আৰু এটা শকত অংশ আহিব বুলি আশা কৰিব পাৰি আৰু আমাৰ ৩য় পৰিকল্পনা কাৰ্যকৰী কৰিবলৈ সুবিধা হবব।

মই ৩য় পৰিকল্পনাত শিক্ষা বিষয়ত গুৰুত্ব দিব বুলি আশা কৰিলো, বিশেষকৈ স্ত্ৰীশিক্ষাৰ বহুল প্ৰচাৰৰ বাবে আচনি লব লাগে যেহেতু সমগ্ৰ জনসংখ্যাৰ আধা অংশ নাৰী জাতিটোক যদি দেশ গঠনৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰাৰ যোগ্যতা আৰু অৰ্হতা সম্পন্ন কৰিব পৰা হয় তেন্তে আমাৰ কোনো আচনিয়েই কৃতকাৰ্য্য নহয়। সেইবাবে আমাৰ ইয়াতো কেন্দ্ৰৰ National Council of Women Education ৰ আহিত আচনি লব লাগে।

মহোদয়, অৰ্থনৈতিক সমস্যা সমাধানৰ বাবে ৩য় পাঁচ বছৰীয়া পৰিকল্পনাত বৰ্ত্তমান প্ৰশাসনীয় ব্যৱস্থাৰ উন্নতি সাধন, শিক্ষা, স্বাস্থ্য, কৃষি, পৰিবহন, যাতায়ত, নিবনুৱা সমস্যা সমাধান, ভূমি সংস্কাৰ আদিৰ আচনিয়ে আগ স্থান পাব বুলি আশা কৰি মোৰ বক্তব্য সামৰিলো।

**Shri DANDESWAR HAZRIKA (Morongi)** : Mr. Speaker, Sir, Under Rule 285 of the Assembly Rules may I request you to address this house on this motion so that the members may be enlightened.

**Mr. SPEAKER** I shal! consider it.

**Shri KHAGENDRANATH NATH (Goalpara)** : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তৃতীয় পৰিকল্পনা এনে ভাবে ৰচনা হব লাগে যাতে দেশত উৎপাদন অধিক পৰিমাণে হব পাৰে। যি দেশৰ উৎপাদন অধিক নহয় সেই দেশত যিমানেই পৰিকল্পনা নকৰক তথাপি অৰ্থনৈতিক উন্নতিও হব নোৱাৰে আৰু শক্তিশালীও হব নোৱাৰে। আজি আমাৰ চৰকাৰে পথাৰ পৰিচালনা কমিটি গঠন কৰিছে আৰু ইয়াৰ উদ্দেশ্য হৈছে যিবোৰ যথাৰ্থ কৃষক তেওঁলোকক সহায় কৰা। কিন্তু আমি দেখিছো এই পথাৰ পৰিচালনা কমিটি গঠন হবৰে পৰা খেতিয়কক কি সহায় কৰিব তাৰ কোনো ব্যৱস্থা কৰা দেখা নাই। যি দুই এটা ব্যৱস্থা কৰিছে, যেনে পথাৰ পৰিচালনা কমিটিয়ে গৰু কিনিবৰ বাবে টকা দিছে চেণ্ট্ৰেল কোঅপাৰেটিভ বেঙ্কৰ জৰিয়তে। কিছুমান ক্ষেত্ৰত অনুমোদন নোহোৱাকৈয়ে টকা দিছে আৰু কিছুমান টকা পোৱা নাই। বিজধান কিনিবলৈকো টকা দিছে। কিন্তু এই ব্যৱস্থাত কৰবাত পেচ আছে আৰু সেই পেচ গাঁৱলীয়া মানুহে ভাঙ্গা কঠিন। প্ৰথমতে টকা পাওঁতে বহুত পলম হয়। গৰু কিনিবৰ বাবে কিম্বা বিজধান কিনিবৰ বাবে যদি টকা সময় মতে নেপায় তেনেহলে টকা দিয়াৰ কোনো ফল নধৰে। দ্বিতীয়তে যি টকা দিয়ে সি যথেষ্ট হোৱা নাই। সেই কাৰণে মই কওঁ যে তৃতীয় পৰিকল্পনাৰ সময়ত প্ৰত্যেক কৃষক পৰিয়ালক, হয়তো ১৪ হেজাৰ কৃষক পৰিয়াল হব, এহেজাৰ টকা দিব লাগে যাতে তেওঁলোকৰ সকলো অভাৱ পুৰণ হয়! এতিয়াৰ দৰে এক-দুই টকা দি একো নহয়। ১৪ হেজাৰ পৰিয়ালক এহেজাৰকৈ দিলে বহু টকা লাগিব, কিন্তু বেচি টকা খটালেহে উৎপাদন বেচি হব। এই কথা যেন চৰকাৰে চিন্ত কৰি চায়।

কুটিৰ শিল্পৰ আলোচনা এই সদনত প্ৰতি বছৰেই হব লাগিছে, কিন্তু এই শিল্পৰ বিশেষ উন্নতি হৈছে বুলি কব নোৱাৰি। ইয়াৰ বাবে এজন যুটীয়া ডিৰেক্তৰা এজন ডেপুটী ডিৰেক্তৰ আৰু এজন চুপাৰেনটেনদেট। তেওঁলোকে হিচাপ লোৱাৰ বাহিৰে উন্নতিৰ বাবে চিন্তা কৰিবলৈ আজৰি পায় কও?

মই কব খোজো আজি কুটিৰ শিল্পৰ কথা এই সদনত এবাৰ নহয় প্ৰত্যেক বাৰে আজি ৫/৭ বছৰে--কোৱা হৈছে। দেখাযায় কুটিৰশিল্প আমাৰ অসমত কোনেও আগ বঢ়াই নিব পৰা নাই। এই বিভাগত বহুতো Deputy

Director হোৱাৰ উপৰিও জিলাত Superintendent আদি--বহুতো উচচ কৰ্ম্মচাৰী হৈছে; কিন্তু কোন জিলাত কিমান এই কুটিৰ শিল্পত অগ্ৰসৰ হৈছে তাৰ হিচাব কৰা নাই।

কুটিৰ--শিল্পৰ নিচিনা গুৰুত্বপূৰ্ণ বিষয়টোত যিমান সহায় পাব লাগিছিল সিমান পোৱা নাই। শ্ৰীমতী বৰুৱাই কৈছে যে কোনো পৰামৰ্শ Development Committee ৰ পৰা ছিলঙলৈ আহে আৰু তাৰ পিচত কি হয় কব নোৱাৰো। প্ৰত্যেক শিল্পানুষ্ঠানত বিশেষজ্ঞ কৰ্ম্মচাৰী দিব লাগিব, তাত ক'ত কিমান কাম হৈছে চাব লাগিব কাম নহলে তাৰ কাৰণ জানি তাৰ খুটি নাতি পূৰণ কৰিব লাগিব তেতিয়াহে কুটিৰ শিল্পৰ কাম হব। কুটিৰ শিল্পৰ উন্নয়ণৰ পথত যিটো অৰ্থনৈতিক বাধাৰ সৃষ্টি হৈছে, তাৰ ফলত উন্নতি হওক চাৰি দিনে দিনে বেয়াহে হৈছে। ১৫/২০ বছৰ আগতে যি সকল লোকৰ অবস্থা ভাল আছিল আজি দেখিব পোৱা যায় সেই সকল লোকৰ কোনোমতে জিয়াই থকা অবস্থা হৈছে। ডাঙৰ ডাঙৰ কোম্পানী; আৰু মহাজনক হাজাৰ হাজাৰ লাখ লাখ টকা চৰকাৰে ঋণ দিছে তাৰ ফলত তেখেত সকলে আৰু বেশী ধণী হৈ গৈছে, কিন্তু দুখীয়া, দিনে দিনে দুখীয়া হৈছে। এই দুখীয়া সকলৰ আৰ্থিক সমস্যা সমাধান কৰিব নোৱাৰিলে আমি যিমানেই নকও, বা বক্তৃতা দিও--তাৰ পৰা কোনো লাভ নহব। এই সমস্যাৰ সমাধান কৰাই হল আমাৰ প্ৰধান কৰ্ত্তব্য।

দ্বিতীয় পৰিকল্পনাত; মই কব পাৰো যে প্ৰত্যেক ডাঙৰ মানুহে সহায় পাইছে। কিন্তু দুখীয়া মানুহে কোনো সহায় পোৱা নাই। বস্তুৰ দাম দিনক দিনে বেচি হৈছে; মানুহ বাচি থাকিব নোৱাৰাত পৰিছে--গতিকে চৰকাৰে এনেভাবে আচনি লব লাগিব যাতে টকা দৰ্কাৰ অনুপাতে সকলোৱে পাব পাৰে। সকলো কাগজ পত্ৰতে আচনি নকৰি, তাক ভালকৈ কাৰ্য্যকৰী কৰিব লাগে, য'ৰ পৰা আমাৰ দুখীয়া সৰ্ব্বসাধাৰণৰ আৰ্থিক উন্নতি হব পাৰে।

স্বাধীনতাৰ আগতে আমাৰ জিলাৰ আৰু বৰপেটা মহকুমাৰ জনসাধাৰণ মানুহৰ যিটো কাম কাৰবাৰ আছিল, সেইটো একেবাৰে নাইকিয়া হৈছে। আগতে সাধাৰণ মানুহে নাও, গাৰী আদি চলাইও বহুত টকা পাইছিল। এতিয়া সেই বিলাক আয়ৰ বাট বন্ধ হৈছে। এতিয়া এনে ধৰনৰ আচনি কৰিব লাগিব যাতে এই লোক সকলৰ আৰ্থীক সমস্যাৰ সমাধান হয়, সেই বিষয়ে চিন্তা কৰিব লাগিব। জনসাধাৰণৰ ভাত কাপোৰৰ সংস্থান কৰাৰ সুবিধা দিয়া এটা চৰকাৰৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য।

১৯৪৭ চনৰ ১৫ আগষ্টলৈ দেশৰ যিটো সমস্যা আছিল যেনে গোৱালপাৰাৰ জমিদাৰী আমোলত মানুহৰ যিটো অবস্থা আছিল, স্বাধীনতাৰ পিচত কিছুমান লোক পথৰ ভিক্ষাৰী হৈছে। বানিজ্য ব্যবসায় একো নাই। গোৱালপাৰা জিলাত ১৩ লাখ মানুহ আছে। সেই বিলাকে আৰ্থিক অবস্থা বৰ শোচনীয় এই লোকসকলে ইষ্ট বেঙ্গলৰ লগত বেহা বেপাৰ, চলাই আহিছিলে। আজি সেই ব্যবসায় বানিজ্য একেবাৰে বন্ধ হৈছে। বৰপেটা মহকুমাৰ মানুহ বোৰেও তেতিয়া গোৱালপাৰালৈ অহা যোৱা কৰি ব্যবসা বানিজ্য চলাই আহিছিলে তাৰ ফলত তেখেত সকলৰ অৱস্থা বহুত স্বচ্ছল আছিল, আৰু মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই কব পাৰো যে বহুতৰ ঘৰত পাচসেৰ দহ সেৰকৈ সোন মজুত আছিলে, এনেকি অতি দুখীয়া মানুহ বা বিধবা তিযোতা মানুহৰ ঘৰতো দুই চাৰি তোলাকৈ সোন আছিল, কিন্তু এতিয়া সকলো ধংশ হৈ গৈছে, আৰু আৰ্থীক অৱস্থাৰ কঠিন সমস্যাৰ সন্মুখীন হব লগা হৈছে। আজি এই দুয়ো ঠাইৰে অবাস্থা শোচনীয়। গাৰো পাহাৰত খনিজ পদাৰ্থ বহুত

আছে। কিন্তু চৰকাৰে আজিলৈ তাক উদ্ধৃত কৰিব নোৱাৰিলে আজিলৈকে সেই বিষয়ে চৰকাৰে কোনো আচনি কৰা নাই। যদি ইয়াৰ এটা আচনি চৰকাৰে কৰিলেহেঁতেন আজি অসমবাসীয়ে প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ হ'লহেঁতেন। মই আশাকৰো চৰকাৰে সেই সম্পদ বিলাক কামত লগাবলৈ সোনকালে ব্যৱস্থা কৰিব।

মই চৰকাৰক জনাও যে, গোৱালপাৰা আৰু বৰপেটা মহকুমাৰ উন্নয়নৰ কাৰণে কিছুমান সদস্যৰে এটা উপদেষ্টা কমিটি গঠন কৰক। তাকনো কেনেকে উন্নত কৰিব পাৰি তাৰ পৰামৰ্শকে লৈ এটা Master plan কৰি কি প্ৰকাৰে আৰ্থীক সমস্যা সমাধান কৰিব পৰা যায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ তীক্ষ্ণ দৃষ্টী আকৰ্ষণ কৰা হল। আমাৰ জিলাখন প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ যেনে, কাঠ, বহ, কপাহ, জুট, ধান, সৰিয়হ, আদি কৰি নদ, নদী, নানা পাহাৰ জঙ্গল সকলো আছে। কিন্তু এইবিলাক কামত লগাব পৰা নাই। সেই বিলাক লগাবলৈ চৰকাৰে সোনকালে ব্যৱস্থা কৰিব। যিসকল ঠাই আটাইতকৈ অনুন্নত প্ৰথমতে সেই বোৰ ঠাই উন্নত কৰাৰ পৰিকল্পনা হাতত ললেহে দেশখন আগ বাঢ়িব পাৰিব।

তাৰ পিচত কৃষক সকলক সাৰ সচ আদি দিয়াৰ উপৰিও Irrigation ৰ দ্বাৰা পানীৰ ব্যৱস্থা কৰি খাদ্য উৎপাদনৰ কামত লগাব লাগে আৰু লগে লগে কুটিৰ শিল্পৰ উন্নতি সাধনত বিভাগে তৎপৰ হব লাগে।

ইয়াকে কৈ মই সামৰণি মাৰিলো।

## ADJOURNMENT

The Assembly was then adjourn till 9 A.M. on Friday, the 18th March, 1960.

R. N. BARUA,
Secretary,
Legislative Assembly Assam.